DailyAssam.Com



# ত্ৰয়োদশ বিষয়বস্তু

# মহাত্মা গান্ধী আৰু জাতীয়তাবাদী আন্দোলন

## আইন অমান্য আন্দোলন আৰু পৰবৰ্তী ঘটনাসমূহ

জাতীয়তাবাদৰ বুৰঞ্জীত এজন ব্যক্তিক এটা জাতি গঠনৰ সৈতে চিনাক্ত কৰা হয়। উদাহৰণস্বৰূপে ইটালী গঠনত গেৰিবল্ডি, আমেৰিকাৰ স্বাধীনতাৰ যুদ্ধত জৰ্জৱাচিংটন আৰু উপনিবেশবাদী শাসনৰ পৰা ভিয়েটনামক মুক্ত কৰিবলৈ সংগ্ৰাম কৰা হো.চি. মিনৰ নাম আমি উল্লেখ কৰিব পাৰো। একেধৰণে মহাত্মা গান্ধীক ভাৰতীয় জাতিৰ "পিতা" (Father) হিচাবে গণ্য কৰা হয়।

স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰা সকলো নেতাৰ ভিতৰত গান্ধীজীয়ে আটাইতকৈ বেছি প্ৰভাৱশালী আৰু সন্মানীয় হিচাপে স্থান লাভ কৰিছিল। যেইকি নহওঁক, ৱাচিংটন বা হো চিংমিনৰ দৰে মহাত্মগান্ধীৰ ৰাজনৈতিক জীৱন তেখেতে প্ৰতিনিধিত্ব কৰা সমাজখনে গঢ় দিছিল আৰু লগে লগে বাধাৰো সৃষ্টি কৰিছিল। ব্যক্তিবিশেষে বুৰঞ্জীত মহানৰূপে লিপিবদ্ধ হয় আৰু এনে মহান ব্যক্তিৰ দ্বাৰাও বুৰঞ্জী সৃষ্টি হয়।

এই অধ্যায়টোত ভাৰতবৰ্ষৰ ১৯১৫ চনৰ পৰা ১৯৪৮ চনলৈ জটিল সময়ছোৱাত গান্ধীজীৰ ভূমিকাৰ বিষয়ে পৰ্যালোচনা কৰা হৈছে। ই ভাৰতীয় সমাজৰ ভিন ভিন শ্ৰেণীৰ লোকৰ সৈতে হোৱা গান্ধীজীৰ সংঘাট আৰু তেওঁ অনুপ্ৰেৰণা যোগাই আগবঢ়াই নিয়া জনপ্ৰিয় সংগ্ৰামৰ বিষয়ে পুঙ্খানুপুঙ্খভাৱে বৰ্ণনা কৰিছে। তেওঁ জড়িত হৈ পৰা সামাজিক আন্দোলনবিলাকৰ বিষয়ে আৰু তেওঁ চৰিত্ৰ আৰু কাৰ্যাৱলী নিৰ্মাণত বুৰঞ্জীবিদসকলে ব্যৱহাৰ কৰা বিভিন্ন প্ৰকাৰৰ তথ্য-সমলবিলকৰ কথা ছাত্ৰ-ছাত্ৰীসকলক দাঙি ধৰা হৈছে।



আৰ্হি নং ১৩.১
১৯৩০ চনত সত্যাগ্ৰহ আৰম্ভ কৰাৰ আগতে মহাত্মা গান্ধীয়ে সবৰমতী নদীৰ পাৰত দিয়া ভাষণ শুনিবলৈ সমবেত হোৱা ৰাইজ।

DailyAssam.Com



## ১. এজন নেতাৰ আত্মপ্ৰকাশ

দুই দশক কাল বিদেশত কটাই ১৯১৫ চনৰ জানুৱাৰী মাহত মোহন দাস কৰমচাঁদ গান্ধীয়ে নিজ দেশলৈ প্ৰত্যাৱৰ্তন কৰিছিল। বিদেশত থকা কালছোৱাত বেছিভাগ সময় তেওঁ এজন উকীল হিচাপে দক্ষিণ আফ্ৰিকাৰ বেলেগ বেলেগ ঠাইত চাকৰি কৰিছিল আৰু পিছলৈ তেওঁ সেই অঞ্চলসমূহত বাস কৰা ভাৰতীয় লোকসকলৰ নৈতা হৈ পৰিছিল। বুৰঞ্জীবিদ চন্দ্ৰণ দেৱানেসানে মন্তব্য কৰিছে —"দক্ষিণ আফ্ৰিকাই গান্ধীজীক মহাত্মা ৰূপে গঢ়ি তুলিলে।" ,সত্যাগ্ৰহৰ মূলমন্ত্ৰ অহিংসাৰ নীতি-নিৰ্দেশনাসমূহ মহাত্মা গান্ধীয়ে পোনপ্ৰথমে দক্ষিণ আফ্ৰিকাতে আয়ত্ত কৰিছিল, লগতে বিভিন্ন ধৰ্মৰ মাজত পৰস্পৰ ঐক্যতা আৰু উচ্চজাতিৰ ভাৰতীয় লোকসকলক তেওঁলোকে নীচজাতিৰ লোক আৰু মহিলাৰ প্ৰতি কৰা বিভেদকামী অবিচাৰৰ প্ৰতি সকিয়নি দিছিল।

১৮৯৩ চনত মহাত্মা গান্ধীয়ে এৰি থৈ যোৱা ভাৰতখন ১৯১৫ চনত তেওঁ ঘূৰি আহি দেখা পোৱা ভাৰত সম্পূৰ্ণ বেলেগ আছিল। যদিও বৃটিছ শাসনৰ কৱলতে আছিল, কিন্তু ৰাজনীতিৰ ক্ষেত্ৰখন আগতকৈ সক্ৰিয় হৈ উঠিছিল। ভাৰতৰ প্ৰায় সৰু-বৰ সকলো চহৰ আৰু নগৰত ভাৰতৰ জাতীয় কংগ্ৰেছৰ শাখা স্থাপিত হৈছিল। ১৯০৫ -১৯০৭ চনৰ স্বদেশী আন্দোলনৰ জৰিয়তে কংগ্ৰেছে মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ মাজত ৰাজনৈতিক সচেতনতা জাগ্ৰত কৰি বিয়পাই পেলাইছিল। এই আন্দোলনে কিছুমান কংগ্ৰেছৰ শীৰ্ষনেতাক ৰাজনৈতিক মঞ্চৰ লাইখুটা ৰূপে থিয় কৰাইছিল —তেওঁলোকৰ ভিতৰত মহাৰাষ্ট্ৰত বাল গংগাধৰ তিলক, বেঙ্গলত বিপিন চন্দ্ৰ পাল আৰু পাঞ্জাৱত লালা লাজপত ৰায় উল্লেখযোগ্য। এওঁলোক তিনিজন একেলগে লাল, বাল আৰু পাল বুলি জনাজাত হৈছিল। যদিও তেওঁলোকৰ নিজ প্ৰদেশকেইখন এখন আনখনৰ পৰা বহু দূৰৈত অৱস্থিত তথাপিও তেওঁলোকে কৰা সংগ্ৰাম একেই ভাৰতীয় স্বভাৱধৰ্মী আছিল। এই নেতাসকলে উপনিবেশবাদী শাসনত সামৰিক বিৰোধিতাৰ সপক্ষে যুক্তি দৰ্শোৱাৰ বিপৰীতে আন এটা মধ্যমপন্থী দলে লাহে লাহে আৰু ক্ৰমান্বয়ে আৰু বুজাবুজিৰে আগবাঢ়িব বিচাৰিছিল। এই মধ্যমপন্থী দলটোত গান্ধীজীৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক উপদেষ্টা গোপাল কৃষ্ণ গোখলে আৰু লণ্ডনত শিক্ষা প্ৰাপ্ত, গুজৰাটত পালিত উকীল মহম্মদ আলি জিন্নাৰ দৰে লোক আছিল।

গোখলেৰ উপদেশক্ৰমে বৃটিছ ভাৰতৰ স্থান আৰু মানুহৰ বিষয়ে জনাৰ উদ্দেশ্যে গান্ধীজীয়ে প্ৰায় এবছৰকাল বৃটিছ ভাৰত পৰিভ্ৰমণ কৰিছিল। ১৯১৬ চনত বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ মুকলি উদ্বোধনী অনুস্থানত অংশ গ্ৰহণ কৰি তেওঁ প্ৰথমবাৰৰ বাবে ৰাজহুৱা মঞ্চত আত্মপ্ৰকাশ কৰিছিল। আন আ লোকৰ লগতে যিসকল ৰজা, ৰাজকুমাৰ আৰু উদাৰ গণ্য-মান্য ব্যক্তিয়ে বেনাৰস হিন্দু বিশ্ববিদ্যালয় প্ৰতিষ্টাপনত দান-বৰঙণি আগবঢ়াইছিল সেইসকলক এই উদ্বোধনী অনুস্থানলৈ নিমন্ত্ৰণ জনোৱা হৈছিল। এনি বেচান্তৰ দৰে কংগ্ৰেছৰ ডাঙৰ ডাঙৰ নেতাসকলো অনুস্থানত

আৰ্হি নং ১৩.২
১৯০৮ চনৰ ফেব্ৰুৱাৰী মাহত দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত মহাত্মা গান্ধী।



উপস্থিত আছিল। কংগ্ৰেছৰ সেইসময়ৰ বাছকবনীয়া নেতৃবৃন্দৰ তুলনাত গান্ধীজী কম জনাজাত আছিল। ভাৰতত তেওঁ মৰ্যাদাৰ বাবে নহয়, দক্ষিণ আফ্ৰিকাত আগবঢ়োৱা কৰ্মৰাজিৰ বাবেহে তেওঁক নিমন্ত্ৰণ জনোৱা হৈছিল। অনুস্থানত যেতিয়া ক'বলৈ গান্ধীজীৰ পাল পৰিল তেতিয়া ভাষণত গান্ধীজীয়ে তাত গোটখোৱা বিশিষ্ট ভাৰতীয়সকলক তেওঁলোকে দুখীয়া-পিছপৰা শ্ৰেণীক অৱহেলা কৰি আহিছে বুলি অভিযোগ উত্থাপন কৰিলে। তেওঁ কৈছিল "বেনাৰস হিন্দু বিশ্ববিদ্যালয় উদ্বোধনী অনুস্থানটো নিশ্চিতভাৱে এটা জাকজমকীয়া অনুস্থান," কিন্তু তেওঁ দুখ প্ৰকাশ কৰি কৈছিল যে এই অনুস্থানত উপস্থিত থকা প্ৰায় আটাইখিনি লোকেই সম্ভ্ৰান্ত শ্ৰেণীৰ আৰু লাখ লাখ দৰিদ্ৰ ভাৰতীয় লোকৰ অনুপস্থিতি দৃষ্টিগোচৰ হৈছে। নিমন্ত্ৰিত সুবিধাবাদী অতিথিসকলক উদ্দেশ্য কৰি গান্ধীজীয়ে কৈছিল যে "তোমালোকে নিজৰ আছুতীয়া উচ্চশ্ৰেমী মনোভাৱ ত্যাগ কৰি দেশবাসীৰ কথা চিন্তা নকৰিলে ভাৰতবৰ্ষৰ উন্নয়ন সম্ভৱ নহ'ব।" তেওঁ কৈছিল -"আমি যদি কৃষক শ্ৰেণীৰ পৰা আঁতৰত থাকো আৰু আনকো তেনে কাৰ্যত উদগণি জনাওঁ,তেনেহ'লে ভাৰতবৰ্ষত এখন স্বাধীন চৰকাৰ বিচৰা উদ্যম আমাৰ নাথাকিব। আমাৰ কৃষকশ্ৰেণীৰ যোগেদিহে আমাৰ পৰিত্ৰাণ সম্ভৱ হ'ব। উকীল, ডাক্তৰ বা চহকী জমিদাৰসকলে আমাৰ উদ্দেশ্য সিদ্ধি কৰিব নোৱাৰিব।"

বেনাৰস হিন্দু বিশ্ববিদ্যালয় মুকলি কৰাটো উদযাপন কৰিব লগা এটা দিন যিদিনা এখন জাতীয়তাবাদী বিশ্ববিদ্যালয় আৰম্ভ, ভাৰতীয় টকাৰে প্ৰতিষ্ঠিত আৰু ভাৰতীয় মানুহৰ উদ্যোগত স্থাপিত হ'ল। তাৰবাবে আত্মশুভেচ্ছা দিয়া এটা সুযোগ বুলি ক'ব পাৰি। কিন্তু গান্ধীজীয়ে তাৰ পৰিৱৰ্তে অনুস্থানটোত উপস্থিতথকাসকলক সোঁৱৰাই দি কয় — ভাৰতীয় জনসংখ্যা গঠিত হৈছে গৰিষ্ঠ সংখ্যক খেতিয়ক আৰু কাম কৰা মানুহেৰে। তথাপি এই শ্ৰেণীৰ মানুহৰ ইয়াত প্ৰতিনিধিত্ব নাই।

**আৰ্হি নং ১৩.৩**
১৯১৬ চনৰ মাৰ্চ মাহত কৰাচীত মহাত্মা গান্ধী।



১৯১৬ চনৰ ফেব্ৰুৱাৰী মাহত দিয়া গান্ধীজীৰ ভাষণটো এটা পৰ্যায়ত মাত্ৰ এটা সত্যৰ উক্তি, অৰ্থাৎ ভাৰতীয় জাতীয়তাবাদটো এটা বাচকবনিয়া প্ৰক্ৰিয়া আৰু উকীল-ডাক্তৰ আৰু জমিদাৰৰ দ্বাৰা গঠিত। কিন্তু অন্য এটা পৰ্যায়ত এইটো এটা উদ্দেশ্যমূলক উক্তি —গান্ধীজীৰ নিজৰ ইচ্ছাত ভাৰতীয় জাতীয়তাবাদ সমগ্ৰ ভাৰতীয় মানুহক প্ৰতিনিধিত্ব কৰিব পৰাকৈ গঠন কৰা। সেই বছৰৰে শেষৰ মাহত গান্ধীজীক তেওঁৰ আদেশ কাৰ্যকৰী কৰাৰ কাৰণে এটা সুযোগ দিয়া হৈছিল ১৯১৬ চনৰ ডিচেম্বৰ মাহত লক্ষ্ণৌত অনুস্থিত হোৱা কংগ্ৰেছৰ বাৰ্ষিক অধিবেশনত

DailyAssam.Com

বিহাৰৰ চম্পাৰণ জিলাৰ এজন কৃষকে তেওঁক লগ ধৰিলে যিজনে তেওঁক বৃটিছ নীল খেতিৰ মালিকসকলে কৃষকসকলৰ ওপৰত কৰা কঠুৱা ব্যৱহাৰৰ বিষয়ে কৈছিল।

## ২. অসহযোগ আন্দোলনৰ গঠন আৰু ভগন

বিহাৰৰ চম্পাৰণৰ খেতিয়কসকলে যাতে নিজৰ পচন্দমতে শস্যৰ খেতি কৰিব পাৰে আৰু খেতি চলি থকা সময়ত নিৰাপত্তা লাভ কৰিব পাৰে তাকে বিচাৰি মহাত্মা গান্ধীয়ে ১৯১৭ চনৰ সৰহভাগ সময় চম্পাৰণত কটাবলগা হ'ল। পিছৰ বছৰ, অৰ্থাৎ ১৯১৮ চনত গান্ধীজী নিজ ঘৰুৱা ৰাজ্য গুজৰাটত দুটা অভিযানত জড়িত হৈ পৰিল। প্ৰথমটোত আহমেদাবাদত থকা কাপোৰৰ কলসমূহত কাম কৰা বনুৱাসকলৰ কৰ্মব্যৱস্থাৰ উন্নতি বিচাৰি শ্ৰমিক পক্ষই মালিকৰ বিৰুদ্ধে কৰা বিবাদত গান্ধীজীয়ে সহযোগ কৰিলে। পিছৰটোত খেদা জিলাত দুৰ্ভিক্ষৰ বাবে খেতি নোহোৱাত খেতিয়কসকলে খাজনা মাফ দিয়াবৰ বাবে চৰকাৰৰ ওচৰত কৰা সংগ্ৰামত গান্ধীজীয়ে কৃষকপক্ষত যোগদান কৰিলে।

চম্পাৰণ,আহমেদাবাদ আৰু খেদাৰ সংগ্ৰামত দুখীয়া বনুৱা আৰু কৃষকসকলৰ প্ৰতি থকা গভীৰ সহানুভূতি আৰু সহযোগিতাই গান্ধীজীক জাতীয় নেতা হিচাবে পৰিগণিত কৰিলে। একে সময়ত এই সকলোবিলাক স্থানীয় সংগ্ৰাম আছিল। ১৯১৯ চনত উপনিবেশবাদী চৰকাৰে গান্ধীজীৰ মতাদৰ্শক এটা বিচাৰ্য বিষয় হিচাপে গণ্য কৰিলে, যিটোৰ ওপৰত ভিত্তি কৰি গান্ধীজীয়ে আন্দোলন ব্যাপক কৰি তুলিব পাৰিলে। ১৯১৪-১৯১৮ চনৰ প্ৰথম বিশ্বযুদ্ধৰ সময়ত বৃটিছে প্ৰচাৰ মাধ্যমৰ স্বাধীনতা খৰ্ব আৰু নিৰ্বিচাৰে আটক কৰিব পৰা আইন প্ৰণয়ন কৰিলে। এতিয়া চাৰ চিদনী ৰাওলাট কমিটিৰ অনুমোদনক্ৰমে এই আইন গোটেই দেশতে একেৰাহে চলি থাকিল। ইফালে গান্ধীজীয়ে ৰাওলাট আইনৰ বিৰুদ্ধে প্ৰতিবাদী আন্দোলন আৰম্ভ কৰিলে। বন্ধ,হৰতালৰ কাৰণে দোকান-পোহাৰ আৰু স্কুল-কলেজ বন্ধ হৈ গৈছিল বাবে উত্তৰ আৰু পশ্চিম ভাৰতৰ নগৰসমূহত জনজীৱন অচল হৈ পৰিল। বিশেষকৈ পাঞ্জাৱত আন্দোলন সক্ৰিয় হৈ পৰিছিল, চাকৰিত পুৰস্কাৰ লাভ কৰিব বুলি আশা কৰি প্ৰথম বিশ্বযুদ্ধত বৃটিছৰ পক্ষত অংশগ্ৰহণ কৰা বৃহৎ সংখ্যক পাঞ্জাৱীলোকৰ ওপৰতো পুৰস্কাৰৰ পৰিৱৰ্তে ৰাওলাট আইনখনহে জাপি দিয়া হৈছিল। ফলত তীব্ৰ অসন্তুষ্ট হৈ তেওঁলোক আন্দোলনত জপিয়াই পৰিল। গান্ধীজী পাঞ্জাৱলৈ আগবাঢ়ি যোৱাত বাটতে গ্ৰেপ্তাৰ হ'ব লগা হ'ল, অন্যান্য প্ৰমুখ্য কংগ্ৰেছ নেতাসকলকো আটক কৰিলে। সেইবাবে পঞ্জাৱতে উত্তেজনা ইমান বাঢ়িল যে প্ৰতিবাদীসকলে ১৯১৯ চনৰ এপ্ৰিল মাহত জালিয়ানাৱালাবাগত এখন জনসভা পাতিলে। এই সভাত এজন বৃটিছ ব্ৰিগেদিয়াৰে সৈন্যবাহিনীক গুলি চালনাৰ আদেশ দিলে। ফলত চাৰিশজনতকৈ (৪০০) অধিক মানুহৰ মৃত্যু ঘটিল। এয়েই বিখ্যাত

**আলোচনা...**

১৯১৫ চনৰ আগতে হোৱা জাতীয় আন্দোলনৰ বিষয়ে অধিক জানা আৰু মহাত্মা গান্ধীৰ মন্তব্যসমূহ যুক্তিযুক্ত হয়নে?

DailyAssam.Com

জালিয়ানাৱালাবাগৰ হত্যাকাণ্ড হিচাবে জনাজাত।

ৰাওলাট সত্যাগ্ৰহে গান্ধীজীক এজন প্ৰকৃত নেতা হিচাবে স্বীকৃতি দিলে। এই সফলতাত উৎসাহিত হৈ পৰৱৰ্তী সময়ছোৱাত গান্ধীজীয়ে বৃটিছ শাসনৰ বিৰুদ্ধে অসহযোগ আন্দোলন আহ্বান জনালে। যিসকলে ভাৰতীয় বৃটিছ উপনিবেশবাদৰ অন্ত হোৱাটো কামনা কৰিছিল, তেওঁলোকক গান্ধীজীয়ে স্কুল-কলেজ, কৰ্ট-কাছাৰীলৈ নাযাবলৈ আৰু চৰকাৰৰ খাজনা পৰিশোধ নকৰিবলৈ অনুৰোধ জনালে। থোৰতে, বৃটিছ চৰকাৰৰ লগত জড়িত সকলোবোৰ স্বেচ্ছামূলক অনুস্থানত অচলাৱস্থা সৃষ্টি কৰিবলৈ আহ্বান জনালে। গান্ধীজীয়ে কৈছিল —"যদিহে অসহযোগ আন্দোলন সফল কৰি তুলিব পাৰি, তেন্তে এবছৰৰ ভিতৰতে ভাৰতে স্বৰাজ লাভ কৰিব পাৰিব।" অসহযোগ আন্দোলন শক্তিশালী কৰি হিন্দু-মুছলমাক ঐক্যবদ্ধ প্ৰচেষ্টাৰে আগবঢ়াই নিয়াৰ উদ্দেশ্যৰে তেওঁ ভাৰতত মুছলমান সকলে কৰা খিলাফৎ আন্দোলনলৈ পূৰ্ণ সহযোগিতা আগবঢ়ালে। প্ৰথম বিশ্বযুদ্ধৰ অন্তত বৃহৎ তুৰ্কী সাম্ৰাজ্য খণ্ড-বিখণ্ড হোৱাত ভাৰতীয় মুছলিম সকলে খলিফাক ৰাজ্য ঘূৰাই দিয়াৰ দাবীত খিলাফৎ আন্দোলন কৰিছিল আৰু পিছলৈ (১৯২৪ চনত) তুৰ্কী নেতা কামান আৰ্তাতুকে খলিফা পদৰ বিলুপ্তি কৰাত খিলাফৎ আন্দোলনৰ অন্ত পৰিল।

## ২.১ জনপ্ৰিয় আন্দোলন গাঁঠনি

গান্ধীজীয়ে খিলাফৎ আন্দোলনৰ সহায়ত ভাৰতৰ দুটা প্ৰধান ধৰ্মীয় সম্প্ৰদায় হিন্দু-মুছলমানৰ মাজত ঐক্য গঢ়ি তোলাৰ এক সোণালী সুযোগ বুলি গণ্য কৰিলে। গতিকে হিন্দু-মুছলমানৰ ঐক্যবদ্ধ প্ৰচেষ্টাৰে বৃটিছ উপনিবেশবাদৰ বিৰুদ্ধে এক শক্তিশালী আন্দোলন গঢ়ি তুলিবলৈ খিলাফৎ আন্দোলনৰ লগত অসহযোগ আন্দোলন একেলগ কৰিলে, কংগ্ৰেছেও এই আন্দোলনৰ প্ৰতি সমৰ্থন জনোৱাত বৃটিছ ভাৰতৰ ভেঁটি কপি উঠিল।

চৰকাৰী স্কুল আৰু কলেজসমূহলৈ ছাত্ৰ-ছাত্ৰীসকলে যোৱাটো বন্ধ কৰিলে। উকীলসকলে কাছাৰী বৰ্জন কৰিলে। বনুৱাশ্ৰেণীয়ে চহৰ আৰু নগৰবিলাকত ধৰ্মঘট কৰিলে। চৰকাৰী হিচাবমতে ১৯২১ চনত এনে ধৰ্মঘটৰ সংখ্যা হৈছিলগৈ ৩৯৬টা আৰু ৬০,০০০০লাখ বনুৱাই ৭ নিযুত দিন কৰ্মবিৰতি পালন কৰিছিল। গাঁৱে-ভূঞে বৃটিছ বিৰোধী আন্দোলন বিয়পি পৰিছিল। অন্ধ্ৰপ্ৰদেশৰ উত্তৰাঞ্চলত বাস কৰা জনজাতীয় লোকসকলে বন আইন ভঙ্গ কৰিছিল। অৱধৰ কৃষকসকলে চৰকাৰক কৰ পৰিশোধ কৰিবলৈ অমান্তি হৈছিল। পাহাৰীয়া কুমাওঁনৰ খেতিয়কসকলে বৃটিছ বিষয়াসকলৰ বাবে বোজা কঢ়িয়াবলৈ অমান্তি হৈছিল। এই প্ৰতিবাদী আন্দোলনসমূহ ইমান তীব্ৰ বৈ পৰিছিল যে কেতিয়াবা স্থানীয় জাতীয় নেতাসকলৰ নীতি-নিৰ্দেশনা অতিক্ৰম কৰিছিল। গান্ধীজীৰ মতে কৃষক, বনুৱা আৰু অন্যান্য লোকসকলে স্থানীয় নেতাসকলৰ নীতি-নিৰ্দেশনাৰ পৰিৱৰ্তে তেওঁলোকৰ সমূহীয়া উদ্দেশ্য আৰু স্বাৰ্থ পূৰণৰ বাবে উপযুক্ত বুলি গণ্য কৰা কথাবিলাকত বেছিকৈ গুৰুত্ব দিয়া উচিত আৰু সেইমতেই বৃটিছ শাসনৰ বিৰুদ্ধে অসহযোগ আন্দোলন কৰি যাব লাগে।

**খিলাফৎ আন্দোলন কি ?**

প্ৰথম বিশ্বযুদ্ধৰ শেষত মিত্ৰশক্তিয়ে তুৰ্কী সাম্ৰাজ্যখন খণ্ড-বিখণ্ড কৰাত তাৰ চুলতানৰ, যিজনক ইছলাম ধৰ্মৰ অধিকৰ্তা বা খলিফা বুলি গণ্য কৰা হৈছিল, মৰ্যাদা বেয়াকৈ ক্ষুন্ন হৈছিল। অখণ্ড তুৰ্কী সাম্ৰাজ্য (আৰৱ, চিৰিয়া, ইৰাক আৰু পেলেষ্টাইন) খলিফাক পুনৰ ঘূৰাই দিয়াৰ দাবীত ভাৰতত মুছলমানসকলে মহম্মদ আলি আৰু চৌকত আলি ভ্ৰাতৃদ্বয়ৰ নেতৃত্বত ১৯১৯-২০ চনত আৰম্ভ কৰা আন্দোলনটোৱেই খিলাফৎ আন্দোলন। ভাৰতীয় জাতীয় কংগ্ৰেছে এই আন্দোলনলৈ পূৰ্ণ সমৰ্থন আগবঢ়ালে আৰু মহাত্মা গান্ধীয়ে হিন্দু-মুছলমানক ঐক্যবদ্ধ কৰিবৰ বাবে অসহযোগ আন্দোলনৰ লগত খিলাফৎ আন্দোলনক যোগ দিলে।

আমেৰিকান জীৱনীলেখক লুইছ ফিছাৰে গান্ধীজীৰ জীৱনীত লিখিছিল -"অসহযোগ-গান্ধী আৰু ভাৰতীয় জনজীৱনত এটা যুগান্তকাৰী নাম হৈ পৰিছিল। অসহযোগ শান্তিৰ বিপৰীতমুখী ক্ৰিয়া, কিন্তু সফলতাৰ বাবে যথেষ্ট ধনাত্মক। এইটো আত্মশাসনৰ প্ৰশিক্ষণ আছিল।" অসহযোগ আন্দোলনে পোনপ্ৰথমবাৰৰ বাবে ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ পাছত বৃটিছ প্ৰশাসনৰ ভেঁটি কঁপাই তুলিলে। এনেসময়তে ১৯২২ চনৰ ফেব্ৰুৱাৰী মাহত যুক্তপ্ৰদেশৰ (এতিয়াৰ উত্তৰ প্ৰদেশ আৰু উত্তৰাঞ্চল) চৌৰিচৌৰা নামৰ সৰু গাঁও এখনত এদল কৃষকে অনাহকত পুলিচে গুলীচালনা কৰা কাৰ্যৰ পোতক তুলিবলৈ আৰক্ষী চকীত অগ্নিসংযোগ কৰিলে, ফলত ২২জন কনিষ্ঠবলৰ (আৰক্ষী লোক) মৃত্যু হ'ল। এই বাতৰি পোৱাৰ লগে লগে গান্ধীজীয়ে আন্দোলন স্থগিত ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিলে। তেওঁ জোৰ দি কৈছিল -কোনো ধৰণৰ ভীতিপ্ৰদৰ্শন সম্ভৱতঃ মানুহৰ নিষ্ঠুৰ ন্যায় বুলি ক'ব নোৱাৰে, যিবিলাক মানুহে প্ৰতিৰক্ষা নোহোৱাটোকে সমৰ্পণ কৰিছিল আৰু যিসকলে নিজকে সাধুতাৰে হিংসাত্মক দলটোৰ আদেশত উচৰ্গা কৰি দিছিল।



আৰ্হি নং ১৩.৪

অসহযোগ আন্দোলন

১৯২২ চনৰ জুলাই মাহ, বিদেশী কাপোৰবোৰ দাহ কৰিবৰ বাবে সংগ্ৰহ কৰা হৈছে।

সমগ্ৰ দেশত অসহযোগ আন্দোলনত অংশগ্ৰহণ কৰা হাজাৰ হাজাৰ লোকক জেলত ভৰোৱা হ'ল। চৰকাৰৰ বিৰুদ্ধে আন্দোলন কৰা অপৰাধত অভিযুক্ত কৰি গান্ধীজীকো ১৯২২ চনৰ মাৰ্চ মাহত কাৰাৰুদ্ধ কৰা হ'ল। তেওঁৰ বিচাৰ চলোৱা বিচাৰক চি.এন.ব্ৰুমফিল্ড (Justice C.N.Broomfield) এ যেতিয়া বিচাৰৰ শাস্তি প্ৰদান ৰায় ঘোষণা কৰিছিল, তেতিয়া তেওঁ এটা অবিস্মৰণীয় বক্তৃতা দি কৈছিল—"সত্যক অস্বীকাৰ কৰাটো একেবাৰে অসম্ভৱ কথা। এতিয়ালৈকে মই বিচাৰ কৰা লোকসকলতকৈ আপুনি এজন সম্পূৰ্ণ বেলেগ ধৰণৰ মানুহ। সত্যক স্বীকাৰ কৰি ক'বই লাগিব যে লাখ লাখ দেশবাসীৰ চকুত আপুনি এজন ডাঙৰ দেশপ্ৰেমিক আৰু বীৰনেতা। আনকি ৰাজনীতি ক্ষেত্ৰত আপোনাৰ বিৰোধী লোকসকলেও আপোনাক এজন উচ্চ আদৰ্শ আৰু সাধুলোক হিচাপে মানে।" যিহেতু গান্ধীজীয়ে চৰকাৰী আইন উলঙ্ঘা কৰিছে সেইবাবে বিচাৰকমণ্ডলীয়ে তেওঁক ছবছৰৰ (6 years) জেলত ৰখা শাস্তি দিবলৈ বাধ্য। কিন্তু বিচাৰক ব্ৰুমফিল্ডে কৈছিল, "যদি ভাৰতবৰ্ষত চলি থকা ঘটনাসমূহে কাৰাবাসৰ ম্যাদ কমোৱা আৰু আপোনাক মুকলি কৰি দিয়াটো চৰকাৰৰ বাবে সম্ভৱ কৰি তোলে, তেনেহ'লে মোতকৈ আন কোনোৱেই বেছি সুখী নহ'ব।"

### ২.২ জনতাৰ নেতা

১৯১৬ চনত হিন্দু বিশ্ববিদ্যালয়ত দিয়া ভাষণৰ কিছু সংশোধন কৰি গান্ধীজীয়ে ১৯২২ চনত ভাৰতীয় জাতীয়তাবাদ ভাৰধাৰাৰ পৰিৱৰ্তন কৰিলে। এতিয়া জাতীয়তাবাদী আন্দোলনটো ব্যৱসায়ী আৰু বুদ্ধিজীৱীসকলৰ হৈ নাথাকিল বৰং শ শ,হাজাৰ হাজাৰ কৃষক-বনুৱা আৰু শিল্পজীৱীয়ে অংশগ্ৰহণ

DailyAssam.Com



কৰি ব্যাপক কৰি তুলিলে। দেশৰ সৰহ সংখ্যক লোকে গান্ধীক পূজা কৰা হ'ল, তেওঁক মহাত্মা আখ্যা দিলে। গান্ধীজীয়ে দুখীয়া ভাৰতীয় জনসাধাৰণৰ দৰেই সাজ-পোচাক পৰিধান কৰা, তেওঁলোকৰ ভাষাৰেই কথা কোৱা আৰু তেওঁলোকৰ দৰে জীৱন নিৰ্বাহ কৰা বাবে গান্ধীজীক মানুহে প্ৰশংসা কৰা হ'ল। আন আন ভাৰতীয় ৰাজনীতিবিদৰ দৰে সৰ্বসাধাৰণ ৰাইজৰ পৰা একাষৰীয়া হৈ নাথাকি গান্ধীজীয়ে সদায় গৰীবৰ মাজত থাকি গৰীবৰ কল্যাণৰ হকে কাম কৰি গৈছিল।

আন আন ভাৰতীয় জাতীয় নেতাৰ কিছুমানে পশ্চিমীয়া সাজপাৰ নাইবা ভাৰতীয় ডিঙিবন্ধ দীঘল চোলা পিন্ধিছিল, কিন্তু গান্ধীজীয়ে কেৱল কপাহী ধুতিহে পৰিধান কৰিছিল,যিটোৱে তেওঁক অন্যান্যসকলৰ লগত দেখাদেখিকৈ পৃথক কৰি পেলাইছিল আৰু চিনাক্ত কৰাত সহজ হৈ পৰিছিল। গান্ধীজীয়ে দিনটোৰ এটা সময়ত সদায় যঁতৰত সূতা কাটিছিল আৰু আনকো সেই কাম কৰিবলৈ উদগণি দিছিল। সূতাকটা কাৰ্যই সেইসময়ত সমাজত প্ৰচলিত জাতি প্ৰক্ৰিয়াৰ ভিতৰত সৃষ্টি হোৱা মানসিক আৰু দৈহিক পৰিশ্ৰমৰ বৈষম্যসমূহ নোহোৱা কৰাত গান্ধীজীক উৎসাহ যোগাইছিল স্থানীয় বাতৰিকাকতত প্ৰকাশ পোৱা সংবাদ আৰু জনৰৱ অনুসৰি বুৰঞ্জীবিদ ছাহিদ আমিনে উত্তৰ প্ৰদেশৰ পূব অংশত কৃষকসকলৰ মনত মহাত্মা গান্ধীৰ ভাৱমূৰ্ত্তি বিষয়ে এটা মনোগ্ৰাহী বৰ্ণনা দিছিল। যেতিয়া তেওঁ ১৯২১ চনৰ ফেব্ৰুৱাৰী মাহত এই অঞ্চলৰ মাজেদি ভ্ৰমণ কৰিছিল, তেতিয়া সকলো ঠাইতে মহাত্মা গান্ধীক তেওঁৰ গুণমুগ্ধ জনতাই আদৰণি জনোৱা দেখা পাইছিল।

**চিত্ৰ, ১৩.৫**
যঁতৰত সূতা কাটি থকা গান্ধীজীৰ প্ৰতিচ্ছৱিখন ভাৰতীয় জাতীয়তাবাদী সকলৰ সবাটোকৈ আদৰণীয় হৈ পৰিছিল। ১৯২১ চনত গান্ধীজীয়ে দক্ষিণ ভাৰত পৰিভ্ৰমণকালত নিজৰ চুলি সম্পূৰ্ণৰূপে খুৰাই পেলাইছিল আৰু দুখীয়া জনসাধাৰণৰ লগত মিলাই আঠুৰ মূৰত এখনেই বস্ত্ৰ পৰিধান কৰিছিল। তেওঁৰ এই নতুন চেহেৰাই উদাসীনতা আৰু নিচাযুক্ত মাদকদ্ৰব্য বৰ্জন কৰাত উৎসাহ যোগাইছিল-যিটো গুণে পৃথিৱীৰ আধুনিক সংস্কৃতিৰ বিপৰীতৰূপ তেওঁ প্ৰদৰ্শন কৰিছিল।

**উৎস-১**

## যঁতৰ (Charkha)

মানুহক মেচিনৰ দাস কৰি শ্ৰমবিমুখ কৰা আধুনিক যুগৰ গভীৰ সমালোচক গান্ধীজীয়ে 'যঁতৰ' চাৰ্খা মানৰ সমাজৰ এটি নিদৰ্শনস্বৰূপেহে গণ্য কৰিছিল, এনে নিদৰ্শন যন্ত্ৰ আৰু কাৰিকৰীক লৈ গৌৰৱান্বিত নহয় তাৰোপৰি কাপোৰ বোৱা চকা বা প্ৰণালীটোৱে দুখীয়া লোকসকলক ওপৰঞ্চি উ পাৰ্জনসহ আত্মনিৰ্ভৰশীল কৰে।



মেচিনৰ প্ৰতি থকা আকৰ্ষণটোকে মই প্ৰতিবাদ কৰো। মেচিনত পৰিশ্ৰম কম হয় বাবে ইয়াৰ প্ৰতি মানুহ দুৰ্বল বা আকৰ্ষিত হোৱা বুলি কোৱা হয়। হেজাৰ হেজাৰ মানুহ কৰ্মবিমুখ হৈ মুকলি ৰাস্তাত খাবলৈ নাপাই নমৰা পৰ্যন্ত মানুহে "শ্ৰম বচোৱা"(saving labour) অথবা মেচিনৰ দিশে ধাবিত হৈ থাকিব। সময় আৰু পৰিশ্ৰম হ্ৰাস কৰাটো মই সকলোৰে কাৰণে বিচাৰো, একাংশ লোকৰ বাবে নহয়, সা-সম্পত্তি একাংশ মুষ্টিমেয় মানুহৰ হাতত আবদ্ধ নাথাকি সকলোৰে সমানে পোৱাটো মই বাঞ্চা কৰো।

*ইয়ং ইণ্ডিয়া, ১৩ নৱেম্বৰ ১৯২৪*

খদ্দৰে সকলোবোৰ যন্ত্ৰপাতিৰ ব্যৱহাৰ বিনষ্ট কৰিব খোজা নাই, কিন্তু যন্ত্ৰপাতিৰ ব্যৱহাৰৰ নিয়ন্ত্ৰণ আৰু ইয়াৰ সীমাহীন বৃদ্ধিত খদ্দৰে বাধা প্ৰদান কৰে। আটাইতকৈ দুখীয়া লোকসকলেও ঘৰতে বহি এই যন্ত্ৰৰ ব্যৱহাৰ কৰি উপকৃত হ'ব পাৰে। চাখা নিজেই এটা উত্তম যন্ত্ৰ।

চিত্ৰ, ১৩.৫

*ইয়ং ইণ্ডিয়া ১৭ মাৰ্চ, ১৯২৭*

DailyAssam.Com



গোৰখপুৰৰ এখন হিন্দী বাতৰি কাকতে গান্ধীজীৰ ভ্ৰমণকালত দিয়া ভাষণ শুনিবলৈ সমবেত হোৱা জনসমুদ্ৰৰ বিষয়ে এনেদৰে লিখিছে।

ভাটনীত গান্ধীজীয়ে এক জনসমাবেশত ভাষণ দিছিল আৰু তাৰ পিছতেই ৰেলখন গোৰখপুৰ অভিমুখে চলিল। নুনখাৰ, দেওৰীয়া, গৌৰী বাজাৰ, চৌৰিচৌৰা আৰু কুশমিত (ষ্টেচনত) কমেও ১৫,০০০ ৰ পৰা ২০,০০০ মানুহ গোট খাইছিল... মহাত্মাজীয়ে কুচ্‌মি ষ্টেচনৰ দৃশ্যটো চাই বৰ আনন্দিত হৈছিল, ষ্টেচনটো জংঘলৰ মাজত অৱস্থিত হোৱা স্বত্বেও ইয়াত কমেও ১০,০০০ মানুহৰ সমাগম হৈছিল। গান্ধীজীক দেখি বহুতে আনন্দত আত্মহাৰা হৈ আবেগত কান্দি পেলোৱাও দেখা গৈছিল দেওৰীয়াত জনসাধাৰণে গান্ধীজীক 'ভেণ্ট' (দান) দিব খুজিছিল, কিন্তু তেওঁ সেইবিলাক দান তেওঁলোকক গোৰখপুৰত জমা দিবলৈ আহ্বান জনাইছিল। কিন্তু চৌৰিচৌৰাত এজন মাৰোৱাৰী ভদ্ৰলোকে গান্ধীজীক কিবা অলপ দান দিবলৈ সমৰ্থ হ'ল। তাৰপিছত আৰু তাত কোনো বিৰতি নাছিল, জনতাক আৰু বাধা দিব পৰা নগ'ল। এখন ডাঙৰ কাপোৰ পাৰি দিলে আৰু তাত টকা, নোট আৰু মুদ্ৰাৰ বৰষুণ আৰম্ভ হৈ গ'ল। ই এটা অভূতপূৰ্ব দৃশ্য আছিল ... গোৰখপুৰ ষ্টেচনৰ বাহিৰত এখন ওখ বাহনত মহাত্মা গান্ধী থিয় হৈ আছিল আৰু কেইমিনিটমান সময়ৰ বাবে জনতাই তেওঁক প্ৰাণভৰি দৰ্শন কৰিলে।

য'লৈকে গান্ধীজী গৈছিল, তেওঁৰ অসাধাৰণ গুণ-শক্তিৰ কথা ত'লৈকে বিয়পি পৰিছিল। কিছুমান ঠাইৰ মানুহে কৈছিল যে গান্ধীজীক ভগৱানে দুখীয়া খেতিয়কসকলৰ দুখ মোচনৰ বাবে প্ৰেৰণ কৰিছে, যিজনৰ স্থানীয় বিষয়াসকলৰ ওপৰত অনায়াসে শাসন কৰিব পৰা ক্ষমতা আছিল। আন কিছুমান ঠাইত এইবুলিও প্ৰচাৰিত হৈছিল যে গান্ধীজীৰ ক্ষমতা বৃটিছ চৰকাৰতকৈ বহু উচ্চত আৰু তেওঁ য'লৈকে যাব, তাৰ বৃটিছ শাসকসকল সেই ঠাই এৰি পলাব। জনৰৱ উঠিছিল যে গান্ধীজীক সমালোচনা কৰা আৰু প্ৰতিবাদ কৰা লোকসকলৰ ঘৰবোৰ আচৰিত ধৰণে ভাগি পৰিছিল অথবা পথাৰত তেওঁলোকৰ খেতি-বাতি নোহোৱা হৈছিল।

গান্ধীজী 'গান্ধীবাবা' 'গান্ধী মহাৰাজ' বা সাধাৰণভাৱে 'মহাত্মা' হিচাপে জনাজাত হৈ পৰিছিল। ভাৰতীয় কৃষকসকলে তেওঁক প্ৰাণকৰ্ত্তা (saviour) বুলি মানিছিল যিজনে বৃটিছে জাপি দিয়া গধুৰ কৰৰ বোজা আৰু উচ্চ বিষয়াসকলৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰিব আৰু তেওঁলোকৰ জীৱনলৈ স্বাৱলম্বিতা আৰু মান-সম্ভ্ৰম ঘূৰাই আনিব। দৰিদ্ৰসকলৈ গান্ধীজীয়ে জনোৱা কাতৰ অনুৰোধ আৰু সৰ্বসাধাৰণে পৰিধান কৰাৰ দৰে ধূতি পিন্ধি যঁতৰক প্ৰতীক হিচাপে ব্যৱহাৰ কৰা কাৰ্যই প্ৰেৰণা লাভ কৰিছিল। গান্ধীজী ব্যৱসায়ী গোষ্ঠীৰ লোক আছিল আৰু ওকালতি তেওঁৰ পেশা আছিল, তথাপিও তেওঁ

উৎস-২

## অভূতপূৰ্ব আৰু অবিশ্বাস্য

যুক্তপ্ৰদেশৰ স্থানীয় বাতৰিকাকতসমূহে সেই সময়ত প্ৰচলিত বহুতো উৰাবাতৰি প্ৰকাশ কৰিছিল। জনৰৱ উঠিছিল যে মহাত্মা গান্ধীৰ শক্তিক সন্দেহ কৰা প্ৰতিজন লোকেই আচৰিত ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছিল—

১) বাস্তি নামৰ অঞ্চলৰ এখন গাৱঁৰ বাসিন্দা সিকন্দৰ চাহুৱে ১৫ ফেব্ৰুৱাৰীৰ দিনা কৈছিল যে তেওঁ গুড় তৈয়াৰ কৰি থাকোতে কুহিয়াৰ ৰসেৰে উতলি থকা ভৰপূৰ কেৰাহীখন যেতিয়া মাজভাগত নিজে নিজে দুফাল হৈ পৰিছিল তেতিয়াৰে পৰা মহাত্মাজীক বিশ্বাস কৰিবলৈ ল'লে। ইয়াৰ আগলৈকে গান্ধীজীৰ কাৰ্যক তেওঁ কিছু সন্দেহৰ চকুৰে চাইছিল।

২) আজমগড়ৰ এজন খেতিয়কে কৈছিল যে যদিহে তেওঁৰ পথাৰত সিঁচি দিয়া ঘেঁহু বীজখিনি তিল গছ হয়, তেতিয়াহে গান্ধীজীৰ সত্যতা মানি ল'ব। পিচদিনা সঁচাকৈয়ে তেওঁ পথাৰত ঘেঁহুপুলিৰ পৰিৱৰ্তে তিলপুলি দেখা পাইছিল।

ক্ৰমশঃ...

DailyAssam.Com



সেইসময়ত উৰাবাতৰি প্ৰচাৰ হৈছিল যে গান্ধীজীক বিৰোধীতা কৰা লোকসকল নিসন্দেহে দুৰ্ঘটনাগ্ৰস্ত হ'ব বা ভোগ কৰিব

১) গোৰখপুৰৰ এজন ভদ্ৰলোকে যঁতৰ চলাবলৈ কি দৰকাৰ? বুলি প্ৰশ্ন কৰোতে তেওঁৰ ঘৰটোত জুই লাগি ভস্মীভূত হৈছিল।

২) উত্তৰ প্ৰদেশৰ এখন গাঁৱত এদল মানুহে জুৱা খেলি আছিল। গান্ধীজীৰ অনুগামী কিছুমান মানুহে তেওঁলোকক জুৱাখেল বন্ধ কৰিবলৈ ক'লে। জুৱাৰী দলটোৰ মাথোন এজন মানুহে খেল বন্ধ কৰিবলৈ অমান্তি হ'ল আৰু গান্ধীজীক গালি-শপনি পাৰিবলৈ ধৰিলে। পিছদিনাখন সেই মানুহজনৰ নিজৰ চাৰিটা কুকুৰে ঘৰৰ ছাগলীক কামুৰি মাৰিলে।

৩) গোৰখপুৰৰেই আন এখন গাঁৱত কৃষকসকলে মদ্যপান নকৰো বুলি প্ৰতিজ্ঞা ল'লে। কিন্তু এজন মানুহে প্ৰতিজ্ঞা ভঙ্গ কৰিলে। যেতিয়া তেওঁ মদৰ দোকানলৈ বুলি আগবাঢ়ে তেতিয়াই ইটাৰ টুকুৰাবোৰ বৰষুণৰ দৰে তেওঁৰ ৰাস্তাত আহি পৰেহি। উপাইনাপাই তেতিয়া তেওঁ গান্ধীজীৰ নাম ল'বলৈ ধৰিলে আৰু ইটাৰ টুকুৰাবোৰ নপৰা হ'ল।

চাহিম আমিনৰ 'গান্ধী এজন মহাত্মা'ৰ পৰা (Gandhi as Mahatma) Subbattern Studies III. Oxford University Press, Delhi.

➲ দ্বিতীয় অধ্যায়ত তোমালোকে উৰাবাতৰি বা জনৰৱৰ বিষয়ে পঢ়িলা আৰু সেইসময়ত মানুহৰ বিশ্বাসৰ ভেটিটোও দেখিলা, লগতে এইটোও দেখিলা যে একোটা সময়ত উৰাবাতৰি বিশ্বাস কৰা মানুহৰ মনত কিদৰে বিশ্বাসৰ ভেঁটিয়ে গঢ়ি উঠে আৰু সমান্তৰালভাৱে ঘটি যোৱা ঘটনা কিছুমানেও এই বিশ্বাসবোৰত গভীৰ ৰেখাপাত কৰে। এই উৰাবাতৰিবিলাকে গান্ধীজীৰ বিষয়ে কি প্ৰতিবিম্বিত কৰে বুলি তুমি ভাবা?

অতি সাধাৰণভাৱে জীৱন ধাৰণ কৰিছিল আৰু সৰ্বান্তকৰণে দুখীয়া জনসাধাৰণক আঁকোৱালি লৈ তেওঁলোকৰ হিতাৰ্থে কাম কৰি গৈছিল আৰু তেওঁলোকৰ সৈতে একাত্ম হৈ পৰিছিল। গান্ধীজীয়ে সৰ্বসাধাৰণক বুজিবলৈ চেষ্টা কৰিছিল আৰু তেওঁলোকৰ জীৱনৰ লগত জড়িত মূল সমস্যাবিলাকৰ সমাধানৰ বাবে চেষ্টা চলাইছিল, আন বেছিভাগ ৰাজনীতিবিদে তেনেদৰে চিন্তা কৰা দৃষ্টিগোচৰ নহৈছিল।

মহাত্মা গান্ধীৰ জনসাধাৰণৰ প্ৰতি কৰা গোহাৰিসমূহ যিহেতু বিশুদ্ধ আছিল আৰু ভাৰতীয় ৰাজনীতিৰ নজিৰবিহীন পৰিপন্থী আছিল-এইটোও গুৰুত্ব দিব লাগে যে জাতীয়তাবাদৰ গুৰিটো শক্তিশালী কৰাত কৃতকাৰ্য হোৱাৰ মূল কাৰণটো হ'ল —সতৰ্কতাৰে সংগঠন গঢ়ি তোলা। ভাৰতৰ বিভিন্ন অঞ্চলত কংগ্ৰেছৰ নতুন নতুন শাখা মুকলি কৰিছিল। দেশীয় ৰাজ্যসমূহত জাতীয়তাবাদৰ মূল নীতিৰ উন্নতি কৰিবলৈ এলানি "প্ৰজা মণ্ডল" প্ৰতিষ্ঠা (Praja Mandals) কৰা হৈছিল। শাসকসকলৰ ভাষা ইংৰাজীৰ পৰিৱৰ্তে গান্ধীজীয়ে জাতীয়তাবাদী সকলক মাতৃভাষা ব্যৱহাৰ কৰিবলৈ আৰু মাতৃভাষাতেই বাৰ্তাপ্ৰেৰণ কৰিবলৈ উদগণি দিছিল। এইদৰে কংগ্ৰেছৰ প্ৰাদেশিক কমিটিবিলাক বৃটিছ-ভাৰতৰ কৃত্ৰিম সীমাৰ পৰিৱৰ্তে ভাষিক অঞ্চলৰ ওপৰত ভিত্তি কৰি গঠন কৰা হৈছিল। এনেকৈ জাতীয়তাবাদ বিভিন্ন পন্থাৰে দেশৰ আটাইতকৈ দূৰৱৰ্ত্তী স্থানলৈকো সম্প্ৰসাৰিত হৈছিল আৰু আগেয়ে স্পৰ্শ নকৰা সামাজিক গোটসমূহকো অন্তৰ্ভুক্ত কৰি লৈছিল।

বৰ্তমানলৈকে কংগ্ৰেছৰ সমৰ্থকসকলৰ ভিতৰত ডাঙৰ ডাঙৰ ব্যৱসায়ী আৰু উদ্যোগপতি আছিল। ভাৰতীয় উদ্যোগপতিসকলে খুব সোনকালেই বুজিব পাৰিছিল যে ভাৰত স্বাধীন হ'লে তেওঁলোকৰ বৃটিছ প্ৰতিযোগীসকলে ভোগ কৰি থকা সা-সুবিধাবোৰৰ অন্ত পৰিব। ইয়াৰ মাজৰে কিছুমান উদ্যোগপতি যেনে জি.ডি বিৰলাই মুকলিকৈ জাতীয় আন্দোলনক সমৰ্থন জনাইছিল। আন কিছুমানে মনে মনে কৰিছিল। এইদৰে গান্ধীজীক সন্মান জনাই অনুসৰণ কৰা লোকসকলৰ ভিতৰত অতিকৈ দুখীয়া কৃষক আৰু অতি ধনী উদ্যোগপতি দুয়ো শ্ৰেণীয়েই আছিল যদিও কৃষকসকলে গান্ধীজীক অনুসৰণ কৰা কাৰণসমূহ বেলেগ আছিল আৰু সম্ভৱতঃ উদ্যোগপতিসকলৰ কাৰণৰ বিপৰীত আছিল।

যিহেতু 'গান্ধীয় জাতীয়তাবাদ' সৃষ্টিত মহাত্মা গান্ধীৰ নিজৰ ভূমিকা গুৰুত্বপূৰ্ণ আছিল, তেওঁৰ অনুসৰণকাৰীসকলৰ ভূমিকাৰ ওপৰতো যথেষ্ট নিৰ্ভৰশীল আছিল। ১৯১৭ চনৰ পৰা ১৯২২ চনৰ সময়চোৱাত এদল উচ্চবুদ্ধিসম্পন্ন ভাৰতীয় স্ব-ইচ্ছাৰে গান্ধীজীৰ সহযোগী হৈ পৰিল। সেইসকলৰ ভিতৰত মহাদেৱ দেশাই, বল্লভ ভাই পেটেল, জে.বি. কৃপালিনী, সুভাষ চন্দ্ৰ বোস, আব্দুল কালাম আজাদ, জৱাহৰলাল নেহৰু, সৰোজিনী নাইডু, গোবিন্দ বল্লভ পণ্ট আৰু চি. ৰাজা গোপালাচাৰী উল্লেখযোগ্য। মন কৰিবলগীয়া যে গান্ধীজীৰ এইসকল ঘনিষ্ঠ সহযোগী দেশৰ বিভিন্ন প্ৰান্তৰ পৰা আহিছিল আৰু তেওঁলোক বিভিন্ন ধৰ্মাৱলম্বীৰ লোক আছিল। ফলস্বৰূপে তেওঁলোকে আন আন ভাৰতীয়সকলক বৰ্ণনা কৰিব নোৱাৰাকৈ আকৰ্ষণ কৰিছিল আৰু কংগ্ৰেছত যোগদান কৰি ইয়াৰ হকে কাম কৰিবলৈ অনুপ্ৰেৰণা যোগাইছিল।

১৯২৪ চনৰ ফেব্ৰুৱাৰী মাহত বৃটিশ চৰকাৰে মহাত্মা গান্ধীক জেলৰ পৰা মুকলি কৰি দিলে আৰু তেওঁ এতিয়া ঘৰতে খাদী কাপোৰ তৈয়াৰ কৰা

DailyAssam.Com



আৰু অস্পৃশ্যতা নির্মূলকৰণ বিষয় দুটাত মনোযোগ দি আত্মনিয়োগ কৰিবলৈ সিদ্ধান্ত গ্রহন কৰিলে। গান্ধীজী যেনেকৈ ৰাজনীতিবিদ আছিল, ঠিক তেনেকৈ সমাজ সংস্কাৰকো আছিল। তেওঁ বিশ্বাস কৰিছিল যে স্বাধীনতাৰ মোল বুজিবলৈ হ'লে ভাৰতীয়সকল সামাজিক কু-সংস্কাৰৰ পৰা মুক্ত হ'ব লাগিব। এজন ধর্মৰ ভাৰতীয় মানুহে অন্য ধর্মৰ মানুহজনৰ প্রতি শ্রদ্ধাবান আৰু ধর্মসহিষ্ণু হ'বই লাগিব বুলি কৈ তেওঁ হিন্দু-মুছলমানৰ ঐক্য-সম্প্রীতিৰ ওপৰত জোৰ দিছিল। অর্থনৈতিক দিশৰ পৰাও ভাৰতীয়সকলক আত্মনির্ভৰশীল হ'বলৈ শিকিবলৈ কৈছিল আৰু সাগৰৰ সিপাৰৰ পৰা আমদানি কৰা মিলত তৈয়াৰী কাপোৰ নিপিন্ধি খাদী কাপোৰ পিন্ধাত গুৰুত্ব দিবলৈ আহ্বান জনাইছিল।

> আলোচনা...
>
> অসহযোগ মানে কি? এই আন্দোলনত অংশগ্রহণ কৰা বিভিন্ন সামাজিক দলসমূহে অনুসৰণ কৰা বেলেগ বেলেগ উপায়বিলাক বাচি উলিওৱা।

## ৩ ঃ লোণ সত্যাগ্রহ

### A case Study

অসহযোগ আন্দোলন সমাপ্তিৰ পিছত কেইবছৰমান মহাত্মা গান্ধীয়ে সামাজিক সংস্কাৰ কার্যত আত্মনিয়োগ কৰিছিল। যেই কি নহওঁক, ১৯২৮ চনত তেওঁ পুনৰ ৰাজনীতিত প্ৰৱেশ কৰাৰ কথা চিন্তা কৰিবলৈ ধৰিছিল। সেইবছৰতে ভাৰতবর্ষত বৃটিছ শাসনৰ ভিতৰুৱা অৱস্থা পর্যবেক্ষণৰ কাৰণে "অল হোৱাইট-চাইমন কমিচন" নামৰ এটা তদন্ত আয়োগ ভাৰতলৈ পঠিয়ালে আৰু লগে লগে গোটেই দেশখনতে এই কমিচনৰ বিৰুদ্ধে তীব্র প্রতিবাদ জনোৱা হ'ল যদিও গান্ধীজীয়ে এই প্রতিবাদী আন্দোলনত সশৰীৰে যোগদান কৰা নাছিল, কিন্তু ইয়ালৈ পূর্ণ সমর্থন আৰু পৰামর্শ আগবঢ়াইছিল। তেওঁ সেই সময়ত বাৰদলি নামে ঠাইত কৃষক সত্যাগ্রহত ব্যস্ত হৈ আছিল।

১৯২৯ চনৰ ডিচেম্বৰ মাহৰ শেষভাগত লাহোৰত কংগ্রেছৰ বার্ষিক সভা অনুষ্ঠিত হ'ল। লাহোৰৰ অধিবেশনখন দুটা কাৰণে উল্লেখযোগ্য আছিল — প্রথমতে ভাৰতৰ উঠি অহা যুৱশ্রেণীক নেতৃত্ব দিয়া নেতা জৱাহৰলাল নেহৰুক কংগ্রেছৰ সভাপতিৰূপে নির্বাচন আৰু দ্বিতীয়তে পূর্ণ স্বৰাজ বা পূর্ণ স্বাধীনতা দাবী। এতিয়া পুনৰবাৰ ৰাজনীতিৰ জোৱাৰ তীব্র হৈ উঠিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত বিভিন্ন স্থানত জাতীয় পতাকা উত্তোলন কৰি আৰু দেশপ্রেমৰ গীত গাই "স্বাধীনতা দিৱস" উদযাপন কৰিলে। গান্ধীজীয়ে নিজেই স্বাধীনতা দিৱস কেনেদৰে অনুষ্ঠিত কৰিব সেইবিষয়ে তেওঁৰ বহুমূলীয়া নির্দেশনাত কৈছিল — "এইটো বৰ ভাল হ'ব ...যেতিয়া দেশৰ সকলো গাওঁ, সকলো চহৰত আনকি ... সকলোবোৰ ঠাইতে সভা অনুষ্ঠিত কৰি একে নির্দিষ্ট সময়ত একেলগে স্বাধীনতা ঘোষণা কৰিব...।"

গান্ধীজীয়ে পৰম্পৰাগত নিয়মেৰে ঢোল বাদ্য বজাই মিটিং অনুষ্ঠিত কৰিবলৈ উপদেশ দিলে। জাতীয় পতাকা উত্তোলন কৰি অনুস্থানটো আৰম্ভ কৰা হ'ব। তাৰপিছত বাকী দিনটোৰ সময়খিনিত কিছুমান গঠনমূলক কামৰ আঁচনি হাতত ল'ব-যেনে যঁতৰত সূতা কটা বা অস্পৃশ্যতা বর্জনৰ কার্যসূচী

DailyAssam.Com

বা হিন্দু আৰু মুছলমানৰ ঐক্য সাধনৰ কাম বা মাদকদ্ৰব্য নিবাৰণ কাৰ্য অথবা এই গোটেইখিনি -যিটো একেবাৰে অসম্ভৱ নহয়। ইয়াত অংশগ্ৰহণ কৰাসকলে দৃঢ়তাৰে মত পোষণ কৰিব লাগিব যে স্বাধীনতা ভাৰতীয়সকলৰ জন্মগত অধিকাৰ আৰু নিজে কৰা পৰিশ্ৰমৰ ফল ভোগ কৰিবলৈ তেওঁলোকৰ সম্পূৰ্ণ স্বাধীনতা আছে। আৰু যদি কোনোবো চৰকাৰে সেই দেশৰ মানুহক এই অধিকাৰসমূহৰ পৰা বঞ্চিত কৰে আৰু তেওঁলোকৰ ওপৰত অত্যাচাৰ চলায়, তেন্তে সেই চৰকাৰক সলনি কৰা বা পতন ঘটাব পৰা অধিকাৰো জনতাৰ আছে।

## ৩.১ ঃ দাণ্ডী

স্বাধীনতা দিৱস উদযাপনৰ পিছতেই মহাত্মা গান্ধীয়ে ঘোষণা কৰিলে যে তেওঁ বৃটিছ একপক্ষীয়ভাৱে চলাই অহা লোণ উৎপাদন আৰু বিক্ৰী ব্যৱস্থাটোৰ বিৰুদ্ধে এক সবল আন্দোলন আৰম্ভ কৰিব। একপক্ষীয়ভাৱে চলি থকা নিমখ উৎপাদন আইন ভঙ্গ কৰাটোৱে গান্ধীজীৰ বিচক্ষণতাৰ কৌশলৰ অন্য এক দৃষ্টান্ত। নিমখ প্ৰতিজন ভাৰতীয়ৰ দৈনন্দিন জীৱনৰ এক অপৰিহাৰ্য দ্ৰব্য। জনসাধাৰণক লোণ তৈয়াৰ কৰিবলৈ নিষেধাজ্ঞা জাৰি কৰি বৃটিছ চৰকাৰে ঠিক কৰি দিয়া নিৰ্দিষ্ট দোকানত লোণ বিক্ৰী কৰাৰ ব্যৱস্থা কৰিছিল আৰু জনসাধাৰণক সেই লোণ উচ্চদামত কিনিবলৈ বাধ্য কৰাইছিল। নিমখৰ ওপৰত আৰোপ কৰা কৰ চৰকাৰৰ একপক্ষীয় নীতি গভীৰ অপ্ৰিয় হৈছিল; এই অপ্ৰিয়তাৰ সুযোগ লৈ গান্ধীজীয়ে বৃটিছ শাসনৰ বিৰুদ্ধে ব্যাপক অসন্তুষ্টি সৃষ্টি কৰাৰ আশাৰে লোণ আইন ভঙ্গৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিলে।

চিত্ৰ, ১৩.৬
দাণ্ডি যাত্ৰা, মাৰ্চ ১৯৩০



DailyAssam.Com



সৰহ সংখ্যক ভাৰতীয়ই গান্ধীজীৰ প্ৰত্যাহ্বানৰ গুৰুত্ব উপলব্ধি কৰিছিল যদিও বৃটিছ ৰাজে দেখাত তেনেদৰে নল'লে। গান্ধীজীয়ে ভাইচৰয় লৰ্ড আৰউইনক তেওঁৰ সত্যাগ্ৰহৰ কথা আগতীয়াকৈ জনাইছিল, কিন্তু আৰউইনে কথাটোৰ গুৰুত্ব বুজাত বিফল হৈছিল। ১৯৩০ চনৰ ১২ মাৰ্চত গান্ধীজীয়ে সবৰমতী আশ্ৰমৰ পৰা সমুদ্ৰৰ ফালে যাত্ৰা আৰম্ভ কৰিলে। তিনি সপ্তাহৰ পিছত তেওঁ লক্ষ্যস্থানত উপস্থিত হ'ল, নিজহাতেৰে সাগৰৰ পানীৰ পৰা লোণ তৈয়াৰ কৰিলে আৰু বৃটিছৰ লোণ আইন ভঙ্গ কৰি আইনৰ চকুত নিজকে অপৰাধী সজালে। ইতিমধ্যে সমান্তৰালভাৱে দেশৰ আন আন অংশটো লোণ সত্যাগ্ৰহ আন্দোলন চলোৱা হৈছিল।



চিত্ৰ, ১৩.৭
১৯৩০ চনৰ ৬ এপ্ৰিলত দাণ্ডীযাত্ৰাৰ অন্তত সত্যাগ্ৰহীসকলে সাগৰৰ পাৰত প্ৰাকৃতিক নিমখ বুটলিছে।

**উৎস ৩**

## লোণ সত্যাগ্ৰহ কিয়?

লোণক কিয় প্ৰতিবাদৰ প্ৰতীক হিচাপে লোৱা হ'ল?এই বিষয়ে মহাত্মা গান্ধীয়ে লিখিছিল —

নিমখৰ ওপৰত কৰ কিমান কুটিলভাৱে ৰচনা কৰা হয়, সেইটো দৈনিক বৃহৎ পৰিমাণে লাভ কৰা তথ্যৰ পৰা বুজিব পাৰি। কৰ নিদিয়া নিমখৰ ব্যৱহাৰ বন্ধ কৰাৰ বাবে, যিটো কৰ নিমখৰ আচল মূল্যতকৈ চৈধ্যগুণ বেছি। চৰকাৰে লাভজনকবাৱে বিক্ৰী কৰিব নোৱাৰা নিমখখিনি নষ্ট কৰি পেলাইছিল। এনেদৰে দেশখনৰ অত্যাৱশ্যকীয় বস্তুৰ ওপৰত কৰ লগাইছিল,জনসাধাৰণক লোণ উৎপাদন কৰাত বাধা দিয়ে আৰু কষ্ট নকৰাকৈ প্ৰাকৃতিক নিয়মত হোৱা উৎপাদনখিনিও নষ্ট কৰি পেলায়। নিজে কৰিব নোৱাৰা বা কৰিবলৈ ইচ্ছা নথকা এই নিষ্ঠুৰ কৰনীতি ব্যাখ্যা কৰিবৰ কাৰণে খাপ খাব পৰাকৈ কোনো বিশেষণ নাই। ভাৰতৰ সকলো অংশতে জাতীয় সম্পত্তি এইদৰে দায়িত্বহীনভাৱে ধ্বংস কাৰ ঘটনা বিভিন্ন উৎসৰ পৰা মই শুনিবলৈ পাইছো। টনত নহ'লেও মোন হিচাপে কঙ্কন উপত্যকাত নিমখ নষ্ট কৰি পেলোৱাৰ কথা কোৱা হৈছে। একেধৰণৰ ঘটনা দাণ্ডীৰ পৰাও শুনা গৈছে। য'তেই প্ৰাকৃতিক নিমখ, ওচৰে-পাজৰে বাস কৰা মানুহে নিজৰ ব্যৱহাৰৰ কাৰণে লৈ যোৱাৰ সম্ভাৱনা থাকে, তাতেই নিমখ বিষয়া একমাত্ৰ ধ্বংস কাৰ্য চলাই যাবৰ বাবে নিয়োগ কৰে। এইদৰে মূল্যৱান জাতীয় সম্পদ জাতীয় খৰচত ধ্বংস কৰে আৰু মানুহৰ মুখৰ পৰা নিমখ কাঢ়ি নিয়ে। নিমখৰ একচেতিয়া নিয়ন্ত্ৰণটোৱে এইদৰে চাৰিটা অংশবিশিষ্ট শাও (curse) হিচাবে মানুহক ভুক্তভোগী কৰিছে। ই মানুহক সহজে কৰিব পৰা গ্ৰাম্য উদ্যোগৰ পৰা বঞ্চিত কৰিছে। প্ৰাকৃতিভাৱে উৎপাদন হোৱা প্ৰচুৰ পৰিমাণৰ সম্পদ দায়িত্বহীনভাৱে ধ্বংস কৰিছে। ধ্বংসকাৰ্যৰ নিজস্ব অৰ্থ হ'ল জাতীয় ব্যয় আৰু চতুৰ্থতে ৰাজক্ষমতাৰ অপব্যৱহাৰৰ দ্বাৰা কেতিয়াও নুশুনা শতকৰা ১০০% কৰ ভোকাতুৰ মানুহৰ পৰা দাবী কৰা হৈছে।

এই কৰ সাধাৰণ মানুহৰ উদাসীনতাৰ বাবে বহুদিন বৰ্তি থাকিল। এতিয়া যথেষ্ট সজাগতাৰ সৃষ্টি হোৱাত এই কৰ উঠাই ল'ব লগা হ'ব। কিমান সোনকালে এইটো উঠাই লয়, সেইটো নিৰ্ভৰ কৰিছে মানুহৰ শক্তিৰ ওপৰত।

The collected Works of Mahatma Gandhi. (CWMG) Vol. 49

➲ উপনিবেশকাৰী চৰকাৰে 'নিমখ' কিয় ধ্বংস কৰিছিল? মহাত্মা গান্ধীয়ে নিমখ কৰ অন্য কৰতকৈ বেছি শাস্তিমূলক বুলি কিয় বিবেচনা কৰিছিল?

DailyAssam.Com

উৎস ৪

**"কাইলৈ আমি লোণ কৰ আইন ভঙ্গ কৰিম।"**

১৯৩০ চনৰ ৫ এপ্ৰিলত মহাত্মা গান্ধীয়ে দাণ্ডীত কৈছিল

"যেতিয়া মই মোৰ অনুগামীসকলৰ সৈতে সবৰমতীৰ পৰা দাণ্ডী উপকূললৈ যাত্ৰা আৰম্ভ কৰিছিলো, তেতিয়া মই নিশ্চিত আছিলো —আমাক এই ঠাইত উপনীত হ'বলৈ অনুমতি দিবনে নিদিয়ে? আনকি যেতিয়া মই সবৰমতীত আছিলো, তেতিয়াও এটা উৰাবাতৰি ওলাইছিল যে মোক গ্ৰেপ্তাৰ কৰিব পাৰে। মই ধাৰণা কৰি লৈছিলো বৃটিছ চৰকাৰে হয়তো মোৰ অনুগামীসকলক দাণ্ডীলৈ যাব দিব, কিন্তু মোক নিশ্চয়কৈ নিদিব। কোনোবাই যদি মোৰ এই দুশ্চিন্তা আৰু সন্দেহৰ কাৰণে মোক দোষাৰোপ কৰে, তেনে অভিযোগ মই অস্বীকাৰ নকৰো। অহিংসা আৰু সত্য শক্তিৰ জোৰতে মই আজি ইয়াত উপস্থিত হ'ব পাৰিছো,যিটো সকলোৱে অনুভৱ কৰে।চৰকাৰে যদি ইচ্ছা কৰে নিজকে নিজৰ আচৰণৰ বাবে শুভেচ্ছা দিব পাৰে, কাৰণ চৰকাৰে আমাৰ প্ৰতিজনকে গ্ৰেপ্তাৰ কৰিব পাৰিলেহেঁতেন। এই শান্তিৰ দলটোক গ্ৰেপ্তাৰ কৰাৰ বাবে চৰকাৰৰ সাহস নাছিল বুলি কৈ আমি এনে কাৰ্যৰ প্ৰশংসা কৰিলো। এনে এটা দলক গ্ৰেপ্তাৰ কৰিবলৈ চৰকাৰে লজ্জাবোধ কৰিলে, নিজৰ ওচৰ-চুবুৰীয়াই বেয়া পোৱা যিকোনো কাম কৰাৰ কাৰণে লজ্জা বোধ কৰাজন সভ্য মানুহ। আমাক আটক নকৰা বাবে আনকি পৃথিৱীৰ জনমতক ভয় কৰি আটক নকৰিলেও চৰকাৰ শুভেচ্ছাৰ বাবে উপযোগী। কাইলৈ আমি লোণ কৰ আইন ভঙ্গ কৰিম। বৃটিছ চৰকাৰে এই কাৰ্য সমৰ্থন নকৰিবও পাৰে, কিন্তু আমাক এইখিনিলৈকে আহিব দি চৰকাৰে যি ধৈৰ্য আৰু সহিষ্ণুতা দেখুৱালে তাৰবাবে চৰকাৰ ধন্যবাদৰ পাত্ৰ।

যদিহে মোক আৰু গুজৰাটৰ সকলো বিশিষ্ট নেতাক আৰু দেশৰ বাকী অংশৰ নেতাসকলক বন্দী কৰিলে কি হ'ব? যেতিয়া এখন দেশৰ সকলো জনতাই পৰম বিশ্বাসেৰে আন্দোলনৰ পথত নামি পৰে তেতিয়া কোনো নেতাৰ আৱশ্যক নাথাকে।

CWMG - Vol. 49

➲ গান্ধীজীয়ে উপনিবেশিক দেশখনক কেনেকুৱা চকুৰে চাইছিল, এই বিষয়ে ভাষণটোত আমাক কেনেদৰে বুজাইছিল?

অসহযোগ আন্দোলনৰ দৰেই জাতীয়তাবাদী নেতাসকলে প্ৰতিনিধিত্ব কৰা আন্দোলনৰ সমান্তৰালভাৱে আন কিছুমান উল্লেখযোগ্য প্ৰতিবাদী ধাৰা চলিছিল। ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ বহুত ঠাইত কৃষকসকলে বন আইন ভঙ্গ কৰিছিল। এইখন আইনে কৃষকসকলে মুকলিমূৰীয়াকৈ ঘূৰি ফুৰাটো আৰু তেওঁলোকৰ গৰু-ম'হবিলাকৰ চৰণীয়া ঠাইলৈ যোৱাটো বন্ধ কৰিছিল। কিছুমান নগৰত, কল-কাৰখানাৰ কৰ্মীসকলে হৰতাল কৰিছিল, উকীলসকলে চৰকাৰী আদালত বৰ্জন কৰিছিল আৰু ছাত্ৰ-ছাত্ৰীসকলে চৰকাৰী শিক্ষানুষ্ঠানসমূহলৈ যোৱাটো বন্ধ কৰি দিছিল। ১৯২০-২২ চনৰ অসহযোগ আন্দোলনৰ দৰেই এতিয়াও গান্ধীজীৰ উদাত্ত কণ্ঠৰ আহ্বানত ভাৰতৰ সকলো শ্ৰেণীৰ লোকে বৃটিছ শাসনৰ বিৰুদ্ধে তেওঁলোকৰ অসন্তোষ প্ৰকাশ কৰিবলৈ উৎসাহ পাইছিল। চৰকাৰে প্ৰতিবাদীসকলক আবদ্ধ কৰি ৰাখি সঁহাৰি জনাইছিল। গান্ধীজীকে ধৰি প্ৰায় ৬০,০০০ ভাৰতীয় লোকক লোণ আইন ভঙ্গ কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰা হৈছিল।

গান্ধীজীৰ সাগৰৰ পাৰলৈ কৰা যাত্ৰাৰ কাৰ্যক্ৰমণিকাৰ অগ্ৰগতিৰ বিষয়ে বৃটিছ চৰকাৰে তেওঁৰ কাৰ্যকলাপৰ ওপৰত চকু ৰাখিবলৈ নিয়োগ কৰা পুলিচ বিষয়াসকলৰ গোপন প্ৰতিবেদনৰ পৰাও জানিব পৰা যায়। এই প্ৰতিবেদনসমূহত গান্ধীজীয়ে গাওঁবিলাকৰ মাজেদি যাত্ৰা কৰাৰ সময়ত দিয়া


DailyAssam.Com



ভাষণসমূহ লিপিবদ্ধ কৰা হৈছিল, যিবিলাক ভাষণত গান্ধীজীয়ে স্থানীয় বিষয়াসকলকো চৰকাৰী চাকৰি ত্যাগ কৰি স্বাধীনতা সংগ্ৰামত যোগদান কৰিবলৈ অনুৰোধ জনাইছিল। ৰাচনা নামৰ এখন গাওঁত গান্ধীজীয়ে উচ্চ জাতিৰ মানুহবিলাকক কৈছিল —"তোমালোকে যদি স্বৰাজ নিবিচাৰা তেনেহ'লে অস্পৃশ্যসকলক সেৱা কৰিবই লাগিব। অকল লোণ কৰ বা অন্যান্য কৰসমূহ ৰদ কৰিলেই তোমালোকে স্বৰাজ নাপাবা। স্বৰাজৰ কাৰণে অস্পৃশ্যসকলৰ প্ৰতি কৰি অহা তোমালোকৰ ভুলৰ শুধৰণি হ'বই লাগিব। স্বৰাজৰ কাৰণে হিন্দু, মুছলমান, পাৰ্চী আৰু শিখসকল একগোট হ'বই লাগিব।" পুলিচ চোৰাংচোৱাই সংবাদ দিলে যে গান্ধীজীৰ মিটিংবোৰত গাৱৰ সকলো জাতিৰ মুনিহ আৰু তিৰোতাই বিপুলভাৱে যোগদান কৰিছিল। হাজাৰ হাজাৰ স্বেচ্ছাসেৱকে দেশৰ হকে সেৱা আগবঢ়োৱা তেওঁলোকে দেখা পাইছিল। সেই স্বেচ্ছাসেৱকসকলৰ ভিতৰত বহুত চৰকাৰী বিষয়া আছিল, যি উপনিবেশবাদী চৰকাৰৰ চাকৰিৰ পৰা পদত্যাগ কৰিছিল। চৰকাৰলৈ পঠিওৱা টোকাত জিলা পুলিচ অধিক্ষকজনে মন্তব্য কৰিছিল "গান্ধীজীক শান্ত আৰু সংগঠক ৰূপত দেখা গৈছিল। দিনবোৰ আগবাঢ়ি যোৱাৰ লগে লগে তেওঁ অধিক শক্তিশালী হৈ উঠিছিল।"

লোণ যাত্ৰাৰ অগ্ৰগতিৰ বিষয়ে আন এটা উৎসৰ পৰা জানিব পাৰি ঃ আমেৰিকাৰ বাতৰি আলোচনী "টাইম"ত গান্ধীজীৰ চেহেৰাৰ বৰ্ণনা দি আৰম্ভ কৰা লিখনিত গান্ধীজীৰ "শীৰ্ণকায় চেহেৰা" আৰু "দীঘল ককাল"ৰ চেহেৰা দেখি তাচ্ছিল্য কৰিছিল। এইদৰে যাত্ৰাৰ ওপৰত লিখা প্ৰথম বাতৰিটোত "টাইম" (Time) আলোচনী কাকতখনে নিমখ যাত্ৰা লক্ষ্যস্থানত উপনীত হ'ব পৰাটোত গভীৰ সন্দেহ প্ৰকাশ কৰিছিল। কাকত আলোচনীখনে দৃঢ়তাৰে প্ৰতিপন্ন কৰিছিল যে গান্ধীজী দ্বিতীয় দিনৰ পদযাত্ৰাৰ অন্তত "মাটিত বাগৰি পৰিব", আলোচনীখনে বিশ্বাস কৰিব পৰা নাছিল যে এই ক্ষীণকায় সাধুজনে আৰু দৈহিকভাৱে আগবাঢ়ি যাবলৈ সক্ষম হ'ব। কিন্তু এসপ্তাহৰ ভিতৰতে তেওঁলোকৰ ধাৰণা ভুল বুলি প্ৰমাণিত হ'ল। "টাইমে" লিখিছিল যে এই যাত্ৰাৰ জনপ্ৰিয়তা ইমানেই বাঢ়িল যে বৃটিছ শাসকসকলে 'চৰম সংকটত উদ্বিগ্ন" হৈ পৰিছিল। গান্ধীজীক তেওঁলোকে এতিয়া এজন "সাধু পুৰুষ"

**চিত্ৰ, ১৩.৮**
১৯৩১ চনৰ জানুৱাৰী মাহত গান্ধীজীক জেলৰ পৰা মুকলি কৰি দিয়াৰ পিছত কংগ্ৰেছৰ নেতাসকলে এলাহবাদত আন্দোলনৰ পৰৱৰ্ত্তী কাৰ্যসূচী আঁচনি প্ৰস্তুত কৰিব লগা হ'ল। ইয়াত তোমালোকে সোঁফালৰ পৰা বাওঁফাললৈ ক্ৰমে জৱাহৰলাল নেহৰু, যমুনালাল বাজাজ,সুভাষ চন্দ্ৰ বসু, গান্ধীজী, মহাদেৱ দেশাই (সন্মুখত), চৰ্দাৰ বল্লভ ভাই পেটেলক দেখা পাইছা।



DailyAssam.Com

উৎস ৪ ৫

**সুকীয়া নিৰ্বাচনৰ সমস্যা**

ঘূৰণীয়া মেজমেলত মহাত্মা গান্ধীয়ে অবহেলিতসকলৰ কাৰণে সুকীয়া নিৰ্বাচনৰ বিৰুদ্ধে যুক্তি আগবঢ়াইছিল।

সুকীয়া নিৰ্বাচনে অস্পৃশ্যসকলৰ পিছপৰি থকা অৱস্থাটো স্থায়ী কৰিব। অস্পৃশ্যসকল চিৰকাল অস্পৃশ্য হৈ থকাটো তোমালোকে বিচাৰা নেকি? হয় পৃথক নিৰ্বাচনে কলঙ্কটো স্থায়ী কৰিব। দৰকাৰী বিষয়টো হ'ল, অস্পৃশ্যতা ধ্বংস কৰা আৰু তোমালোকে যেতিয়া এইটো কৰিবা অমঙ্গলীয়া প্ৰতিবন্ধক, যিটো এক কৰ্কশ উচ্চশ্ৰেণীয়ে, তলখাপৰ মানুহৰ ওপৰত আৰোপ কৰিছে, ধ্বংস হ'ব। তোমালোকে যেতিয়া এই অমঙ্গলীয়া প্ৰতিবন্ধকটো নোহোৰা কৰি দিবা তেতিয়া কাৰ বাবে এই পৃথক নিৰ্বাচন দৰকাৰ হ'ব?

আৰু ৰাজনীতিবিদ হিচাপে গণ্য কৰিলে যিজনে নিজে "খ্ৰীষ্টিয়ান কাৰ্যকলাপক খ্ৰীষ্টিয়ানপন্থী মানুহৰ বিৰুদ্ধে অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল।"

### ৩.২ কথোপকথন (Dialogues)

লোণ যাত্ৰা অতি কমেও তিনিটা কাৰণত উল্লেখযোগ্য -প্ৰথমতে এই ঘটনাটোৰ বাবেই পোনপ্ৰথমবাৰৰ বাবে মহাত্মা গান্ধী গোটেই বিশ্বৰে চকুত পৰিল। ইউৰোপ আৰু আমেৰিকাৰ বাতৰি কাকতসমূহে লোণ সত্যাগ্ৰহৰ খবৰবোৰ বিতংভাৱে প্ৰকাশ কৰিলে। দ্বিতীয়তে -এইটোৱেই প্ৰথম জাতীয় আন্দোলনৰ কাৰ্যসূচী যিটোত প্ৰথমবাৰৰ বাবে বৃহৎ সংখ্যক মহিলা সত্যাগ্ৰহীয়ে যোগদান কৰিছিল। সমাজকৰ্মী কমলা দেৱী চট্টোপধ্যায়ে গান্ধীজীক সৈমান কৰাইছিল যে অকল পুৰুষক নহয়, মহিলাসকলকো আন্দোলনত অংশগ্ৰহণ কৰিবলৈ সুযোগ দিয়ে। কমলা দেৱী নিজেই উল্লেখনীয় মহিলাসকলৰ এগৰাকী যিগৰাকীয়ে নিমখ আৰু মদ আইন ভঙ্গ কৰাৰ অপৰাধত কাৰাৰুদ্ধ হৈছিল। তৃতীয়তে লোণ যাত্ৰাৰ আটাইতকৈ তাৎপৰ্যপূৰ্ণ বিশেষত্ব হ'ল যে ই বৃটিছ শাসকসকলক ভাবিবলৈ বাধ্য কৰিলে যে তেওঁলোকৰ শাসন ইয়াত সদায় নচলিব আৰু ভাৰতীয়সকলক কিছু ক্ষমতা দিবলৈ তেওঁলোক এতিয়া বাধ্য।

ভাৰতীয়সকলক সন্তুষ্ট কৰিবলৈ বৃটিছ চৰকাৰে লণ্ডনত কেবাখনো ঘূৰণীয়া মেজমেল অনুষ্ঠিত কৰিলে। ১৯৩০ চনৰ নৱেম্বৰ মাহত প্ৰথমখন ঘূৰণীয়া মেজমেল বহিল। আগৰপৰা প্ৰভাৱ থকা কংগ্ৰেছৰ কোনো এজন নেতাই ইয়াত যোগদান নকৰাত এই মেল বিশেষ ফলপ্ৰসূ নহ'ল। ১৯৩১ চনৰ জানুৱাৰী মাহত মহাত্মা গান্ধীক বিনাচৰ্তে কাৰাগাৰৰ পৰা মুকলি কৰি দিলে আৰু পিছৰ মাহত গান্ধীজী আৰু ভাইচৰয়ৰ মাজত বহুকেইখন দীঘলীয়া মিটিং অনুষ্ঠিত হ'ল। তাৰ ফলস্বৰূপে দুয়োপক্ষৰ মাজত এখন চুক্তি স্বাক্ষৰিত হ'ল, যিখনক "গান্ধী আৰউইন চুক্তি" বুলি কোৱা হৈছিল। এই চুক্তিমতে গান্ধীজীয়ে আইন অমান্য আন্দোলন প্ৰত্যাহাৰ কৰিলে, চৰকাৰে সকলো ৰাজনৈতিক বন্দীকে মুকলি কৰি দিলে আৰু সাগৰৰ পাৰৰ নিমখ উৎপাদন কৰিবলৈ চৰকাৰে অনুমতি প্ৰদান কৰিলে। গান্ধী আৰউইন চুক্তিখন উগ্ৰবাদী কংগ্ৰেছীসকলে কঠোৰ সমালোচনা কৰিলে,তেওঁলোকৰ মতে গান্ধীজীয়ে ভাইচৰয়ৰ পৰা ভাৰতীয়সকলৰ কাৰণে ৰাজনৈতিক স্বাধীনতা আদায় কৰিব নোৱাৰিলে, অন্ততঃ তেওঁ তাৰবাবে এটা আশ্বাস বিচাৰিব পাৰিলেহেঁতেন!

১৯৩১ চনৰ চেপ্তেম্বৰ মাহত লণ্ডনত দ্বিতীয়খন ঘূৰণীয়া মেজমেল বহিল। গান্ধীজীয়ে এই মেলত কংগ্ৰেছৰ একমাত্ৰ প্ৰতিনিধি হিচাপে যোগদান কৰিলে যদিও গান্ধীজীয়ে দাবী কৰিছিল যে কংগ্ৰেছ পাৰ্টিয়ে গোটেই ভাৰতকে প্ৰতিনিধিত্ব কৰে, কিন্তু তিনিটা বেলেগ বেলেগ পাৰ্টিয়ে এই দাবীক প্ৰত্যাহ্বান জনালে। মুছলিম লীগে মুছলিমসকলৰ স্বাৰ্থ ৰক্ষাৰ হকে থিয় দিলে, দেশীয় ৰজাসকলে দাবী কৰিলে যে তেওঁলোকৰ অধীনত থকা ৰাজ্যসমূহত কংগ্ৰেছৰ কোনো আধিপত্য নাই আৰু তীক্ষ্ণ, মেধাবী উকীল বি.আৰ. আম্বেদকাৰে যুক্তি দৰ্শালে যে কংগ্ৰেছে আচলতে নীচ জাতিসমূহক প্ৰতিনিধিত্ব নকৰে।

গতিকে দ্বিতীয় ঘূৰণীয়া মেজমেলো বিফল হ'ল আৰু গান্ধীজী স্বদেশলৈ ঘূৰি আহিয়েই পুনৰ আইন অমান্য আন্দোলন আৰম্ভ কৰিলে।

DailyAssam.Com





চিত্ৰ, ১৩.৯

১৯৩১ চনৰ নৱেম্বৰ মাহত লণ্ডনত বহা দ্বিতীয় ঘূৰণীয়া মেজমেল — মহাত্মা গান্ধীয়ে "তলখাপৰ জাতি"ৰ বাবে পৃথক নিৰ্বাচনৰ দাবীৰ বিৰোধিতা কৰিছে। তেওঁ বিশ্বাস কৰে যে এইটোৱে সমাজৰ মূল সুঁতিলৈ অহাত তেওঁলোকক বাধা দিব আৰু অন্য হিন্দুসকলৰ পৰা স্থায়ীভাৱে আঁতৰাই ৰাখিব।

ইতিমধ্যে লৰ্ড-উইলিংডন (Lord Willingdon) ভাৰতৰ নতুন ভাইচৰয় হিচাপে আহিল, যিজন ভাৰতীয় নেতাসকলৰ প্ৰতি অতি কঠোৰ সহানুভূতিশীল লোক আছিল। লৰ্ড উইলিংডনে ব্যক্তিগতভাৱে ভনীয়েকলৈ লিখা চিঠি এখনত লিখিছিল— এইখন এখন মনোমোহা জগত হ'লহেঁতেন ... যদিহে গান্ধীৰ বাবে নহ'লহেঁতেনে ... তেওঁ গঢ়ি তোলা প্ৰতিটো আন্দোলনৰ আৰম্ভণিতে ভগৱানৰ অনুপ্ৰেৰণা গঢ় লোৱা বুলি কৈছিল যিটোত তেওঁ ৰাজনৈতিক কৌশল বিচাৰি পাইছিল। আমেৰিকান সংবাদপত্ৰসমূহে তেওঁক আস্চৰ্যজনক মানুহ বুলি উল্লেখ কৰা মই দেখিছো ... কিন্তু সত্য এয়ে যে আমি বৰ অবাস্তৱ, ৰহস্যময় আৰু আন্ধবিশ্বাসেৰে ভৰা ব্যৱহাৰিক জ্ঞান নথকা মানুহৰ মাজত জীয়াই আছো যিখিনি মানুহে গান্ধীক পবিত্ৰ বুলি মানে ...।

যেই কি নহওঁক, ১৯৩৫ চনত "ভাৰত চৰকাৰ আইন" মতে বৃটিছশাসিত প্ৰদেশ আৰু দেশীয় ৰাজ্যসমূহক লৈ এখন যুক্তৰাজ্য গঠন কৰাৰ ব্যৱস্থা কৰা হ'ল। দুবছৰৰ পিছত ১৯৩৭ চনত সীমিত ভোটাধিকাৰৰ ভিত্তিত নিৰ্বাচন অনুষ্ঠিত হ'ল। এই নিৰ্বাচনত কংগ্ৰেছে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিলে। ১১ খন প্ৰদেশৰ ভিতৰত ৮খনতে এজন বৃটিছ ৰাজ্যপালৰ তত্বাৱধানত কংগ্ৰেছী মন্ত্ৰীৰ শাসন চলিল।

কংগ্ৰেছ মন্ত্ৰীসভাই কাৰ্যনিৰ্বাহ কৰাৰ দুবছৰ পিছত ১৯৩৯ চনৰ চেপ্তেম্বৰ মাহত দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হ'ল। মহাত্মা গান্ধী আৰু জৱাহৰলাল নেহৰুৱে হিট্‌লাৰ আৰু নাজী বাহিনীক তীব্ৰ সমালোচনা কৰিলে। যদি বৃটিছ চৰকাৰে যুদ্ধৰ অন্তত ভাৰতক স্বাধীনতা দিব বুলি প্ৰতিজ্ঞা কৰে, তেনেহ'লে কংগ্ৰেছে যুদ্ধ সংক্ৰান্তত চৰকাৰক পূৰ্ণ সমৰ্থন জনাব বুলি গান্ধী-নেহৰুৱে প্ৰস্তাৱ আগবঢ়ালে আৰু বিদ্বেষ অন্ত পেলাব।

উৎস- ৬

## পৃথক নিৰ্বাচনৰ ওপৰত আম্বেদকাৰৰ মন্তব্য

মহাত্মা গান্ধীৰ অবহেলিত শ্ৰেণীৰ লোকৰ বাবে পৃথক নিৰ্বাচনৰ দাবীৰ বিৰোধিতা কৰাৰ বিপৰীতে আম্বেদকাৰে লিখিছিল—

"ইয়াত এটা শ্ৰেণী আছে, যিটোৱে নিজৰ স্থিতিৰ বাবে কৰা যুঁজ-বাগৰত তিষ্ঠি থাকিবলৈ নিঃসন্দেহে সমৰ্থ নহয়। ধৰ্মটোৱে যিটোৱে তেওঁলোকক বান্ধি ৰাখিছে, এটা সন্মানীয় স্থান দিয়াৰ পৰিৱৰ্তে তেওঁলোকক কুষ্ঠ ৰোগীৰ দৰে সাধাৰণ মিলা-মিচাৰ পৰা বিৰত ৰাখিছে। আৰ্থিকভাৱে তেওঁলোকে দৈনন্দিন উপাৰ্জনৰ বাবে আনৰ ওপৰত নিৰ্ভৰশীল হোৱা বাবে স্বাধীনভাৱে বসবাস কৰিব নোৱাৰে। আন হিন্দুসকলে লোৱা পক্ষপাতিত্বমূলক মনোভাৱৰ কাৰণে তেওঁলোকৰ মুক্ত জীৱন-যাপনৰ সকলো পথ বন্ধ হৈ যোৱা নাই। কিন্তু আমাৰ হিন্দু সমাজৰ এটা নিশ্চিত চেষ্টা চলি আছে, অৱহেলিত শ্ৰেণীৰ সমপৰ্যায়ৰ উন্নতিৰ সকলো পথ বন্ধ কৰাৰ বাবে...।

এই পৰিস্থিতিত সকলো শুভাকাঙ্খী মানুহেই মানি ল'ব যে এটা অক্ষম জাতিৰ লোকে সংগঠিত স্বেৰাচাৰিতাৰ বিৰুদ্ধে যুঁজ-বাগৰ কৰি কৃতকাৰ্য হ'বৰ কাৰণে ৰাজনৈতিক ক্ষমতাৰ কিছু অংশ এই অৱহেলিত জাতিৰ বাবে সংৰক্ষণ থাকিব লাগিব, যাতে এই ক্ষমতাৰ দ্বাৰা তেওঁলোকে নিজকে সুৰক্ষা দিব পাৰে।"

**ডঃ বাবাচাহেব আম্বেদকাৰ**

"কংগ্ৰেছ আৰু গান্ধীয়ে অস্পৃশ্যসকলৰ কাৰণে কি কৰিলে?" লিখনি আৰু ভাষণসমূহ ঃ খণ্ড -৯, পৃঃ ১৩২।

DailyAssam.Com



চিত্ৰ, ১৩.১০
১৯৩৯ চনৰ অক্টোবৰত মহাত্মা গান্ধী আৰু ৰাজেন্দ্ৰ প্ৰসাদে ভাইচৰয় লৰ্ড লিন্‌লিথ্‌গোৰ সৈতে হোৱা এখন মিটিঙলৈ যোৱাৰ ছবি। সভাত বিশ্বযুদ্ধত ভাৰতৰ জড়িতকৰণৰ প্ৰকৃতিৰ বিষয়ে আলোচনা কৰা হৈছিল। ভাইচৰয়ৰ সৈতে আলোচনা ব্যৰ্থ হোৱাৰ পিছতে কংগ্ৰেছী মন্ত্ৰীসভাই পদত্যাগ কৰিলে।



কিন্তু বৃটিছে এই প্ৰস্তাৱ প্ৰত্যাখান কৰিলে, কংগ্ৰেছে প্ৰতিবাদস্বৰূপে যিবোৰ প্ৰদেশত ইতিমধ্যে নিজ দলীয় চৰকাৰ গঠন কৰিছিল সেইবোৰৰ পৰা ১৯৩৯ চনৰ অক্টোবৰ মাহত পদত্যাগ কৰিলে। ১৯৪০ আৰু ১৯৪১ চনত কংগ্ৰেছে একক সত্যাগ্ৰহ আন্দোলন এলানি আৰম্ভ কৰিলে আৰু এই কাৰ্যসূচীৰ দ্বাৰা বৃটিছ চৰকাৰক বিশ্বযুদ্ধ শেষ হ'লে ভাৰতক স্বাধীনতা অৰ্পণ কৰিবলৈ হেঁচা প্ৰয়োগ কৰিলে।

চিত্ৰ, ১৩.১১
মহাত্মা গান্ধী ষ্টাফোৰ্ড ক্ৰীপচৰ সৈতে - মাৰ্চ ১৯৪২



ইতিমধ্যে ১৯৪০ চনৰ মাৰ্চ মাহত মুছলীম লীগে "পাকিস্তান" নামেৰে এখন পৃথক দেশ গঠন কৰাৰ প্ৰতিশ্ৰুতিৰে এটা প্ৰস্তাৱ গ্ৰহণ কৰে। ভাৰতৰ ৰাজনৈতিক মানচিত্ৰই এতিয়া জটিল ৰূপ ধাৰণ কৰিলে ঃ বৃটিছ আৰু ভাৰতীয়ত সীমিত নাথাকি ই তিনিটা দল অৰ্থাৎ কংগ্ৰেছ মুছলীম লীগ আৰু বৃটিছৰ মাজত সংগ্ৰাম সংঘটিত হ'ল। এই সময়ত ইংলেণ্ডত সন্মিলিত পাৰ্টিৰ চৰকাৰ আছিল যিখন চৰকাৰৰ সমাজবাদী দলৰ সদস্যসকল ভাইচৰয় উচ্চাকাংক্ষাৰ প্ৰতি সহামুভূতিশীল আছিল। কিন্তু ইয়াৰ ৰক্ষণশীল প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চিল এজন বৰ অবুজ সাম্ৰাজ্যবাদী লোক আছিল,যিজনে বৃটিছ সাম্ৰাজ্যৰ ওৰ পেলাবৰ কাৰণে পোৰোহিত্য কৰিবলৈ ৰজাৰ প্ৰধান মন্ত্ৰীজনক হেঁচা দিছিল। ১৯৪২ চনৰ বসন্ত কালত চাৰ্চিলে গান্ধীজী আৰু কংগ্ৰেছৰ লগত বুজাবুজিৰ বাবে চেষ্টা আৰু কাৰ্যকৰী কৰিবলৈ তেওঁৰ এজন মন্ত্ৰী চাৰ পেট ষ্টেৰ্ফোড ক্ৰিপচক ভাৰতলৈ পঠিয়াবলৈ মনস্থ কৰিলে। আলোচনা বিফল হ'ল। যেই কি নহওঁক কংগ্ৰেছে আহ্বান জনালে যে যদি এইটোৰে ভাৰতক মিত্ৰশক্তিৰ (Axis Power) পৰা বচাবৰ কাৰণে সহায় কৰে তেনেহ'লে ভাইচৰয়ে প্ৰথমে এজন ভাৰতীয়ক তেওঁৰ কাৰ্যনিৰ্বাহক পৰিষদৰ প্ৰতিৰক্ষা সদস্য হিচাপে নিয়োগ কৰিব লাগিব।

**➲ আলোচনা**

উৎস ৫ আৰু ৬। অৱহেলিত শ্ৰেণীৰ বাবে পৃথক নিৰ্বাচনৰ বিষয়টোৰ ওপৰত গান্ধীজী আৰু আম্বেদকাৰৰ মাজত হোৱা এটা কাল্পনিক কথোপকথন লিখা।

DailyAssam.Com



## ৪. ঃ ভাৰত ত্যাগ (Quit India)

ক্ৰীপছ মিছনৰ বিফলতাৰ পিছত মহাত্মা গান্ধীয়ে বৃটিছ শাসনৰ বিৰুদ্ধে তৃতীয়টো বৃহত্তৰ গণ আন্দোলন কৰিবলৈ সিদ্ধান্ত ল'লে। এইটো আছিল "ভাৰত ত্যাগ অভিযান", যিটো ১৯৪২ চনৰ আগষ্ট মাহত আৰম্ভ কৰিছিল। লগে লগে গান্ধীজী গ্ৰেপ্তাৰ হ'ল যদিও কংগ্ৰেছী যুৱকৰ্মীসকলে ধৰ্মঘট আৰু ৰেল বগৰোৱা আদি ধ্বংসাত্মক আন্দোলনৰ কাৰ্যসূচী গোটেই দেশজুৰি চলাই গ'ল। গোপনে বাধাৰ সৃষ্টি কৰাসকলৰ ভিতৰত কংগ্ৰেছৰ সমাজবাদী সদস্যসকলে যেনে জয় প্ৰকাশ নাৰায়ণ বিশেষভাৱে সক্ৰিয় আছিল। পশ্চিমৰ চাৰ্তাৰা আৰু পূবৰ মেদিনীপুৰ জিলাৰ দৰে বহুত জিলাত "স্বাধীন" চৰকাৰ ঘোষণা কৰিছিল। বৃটিছে বহুত বল প্ৰয়োগেৰে ইয়াক সঁহাৰি জনালে, তথাপি বিদ্ৰোহীক দমন কৰিবলৈ এবছৰৰো অধিক সময় লাগিল।

শ-শ, হাজাৰ-হাজাৰ সৰ্বসাধাৰণ ভাৰতীয়ই যোগদান কৰা "ভাৰত ত্যাগ" আন্দোলনটো নিশ্চিতভাৱে এটা গণ আন্দোলন। এই আন্দোলনটোত স্কুল-কলেজলৈ যাবলৈ এৰা বৃহৎ সংখ্যক যুৱক-যুৱতীয়ে যোগদান কৰি শক্তিশালী কৰি তুলিছিল। যিসকলে অনায়াসে কাৰাবৰণ কৰিছিল। সেই কি নহওঁক কংগ্ৰেছৰ নেতাসকলে জেলত থাকি শাস্তিভোগ কৰি থকা সময়ত মহম্মদ আলি জিন্না আৰু তেওঁৰ সহকৰ্মীসকলে মুছলীম লীগৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ অতি ধৈৰ্য্যৰে কাম কৰিছিল। এই কেইবছৰত মুছলীম লীগে পাঞ্জাব আৰু সিন্ধু প্ৰদেশত উল্লেখনীয়ভাৱে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থ হৈছিল। এই ঠাইকেইখনত ইয়াৰ আগেয়ে কাচিৎহে উপস্থিত হৈছিল।

১৯৪৪ চনৰ জুন মাহত বিশ্বযুদ্ধ শেষ হোৱাৰ সময়ত মহাত্মা গান্ধীক জেলৰ পৰা মুকলি কৰি দিলে। কংগ্ৰেছ আৰু মুছলীম লীগৰ মাজৰ মতানৈক্য আঁতৰাই ঐক্য স্থাপনৰ চেষ্টা চলোৱাৰ উদ্দেশ্যেৰে এই বছৰৰ শেষৰফালে

### চাতাৰা -১৯৪৩

মহাৰাষ্ট্ৰত ১৯ শতিকাৰ শেষফালৰ পৰা জাতিভেদ প্ৰথা আৰু জমিদাৰী প্ৰথাৰ বিৰুদ্ধে এক অব্ৰাহ্মণ আন্দোলন গঢ় লৈ উঠিছিল। ১৯৩০ চনত এই আন্দোলনে ভাৰতীয় জাতীয় আন্দোলনৰ লগতত সংযোগ স্থাপন কৰিলে।

১৯৪৩ চনত এই দলৰ স্বেচ্ছাসেৱকবাহিনী (Sebadals) আৰু গাঁৱৰ সেনাবাহিনীক (Tufan dals টুফান দল) লৈ কেইজনমান যুৱনেতাই মহাৰাষ্ট্ৰৰ চাতাৰা জিলাত এটা জাতীয় চৰকাৰ প্ৰতিষ্ঠা কৰিলে। এই চৰকাৰে জনসাধাৰণৰ আদালতসমূহ চলালে আৰু উন্নয়নমূলক কাম হাতত ল'লে। চৰকাৰী দমন নীতি স্বত্ত্বেও চাতাৰাৰ সমান্তৰাল চৰকাৰে কুনবি কৃষকসকলৰ দমনত আৰু দলিতসকলৰ সমৰ্থনত ১৯৪৬ চনৰ নিৰ্বাচনৰ সময়লৈকে শাসন চলাই থাকিল। পিছলৈ কংগ্ৰেছে এই চৰকাৰৰ প্ৰতি সমৰ্থন প্ৰত্যাহাৰ কৰিছিল।



চিত্ৰ, ১৩.১২
ভাৰত ত্যাগ আন্দোলনৰ সময়ত বোম্বেত মহিলাসকলৰ শোভাযাত্ৰা।

DailyAssam.Com




গান্ধীজীয়ে জিন্নাৰ সৈতে কেবালানি সভাত বহিল। ১৯৪৫ চনত বৃটেইনত শ্ৰমিক চৰকাৰ (Labour Government) ক্ষমতালৈ আহিল আৰু এই চৰকাৰে ভাৰতক স্বাধীনতা অনুমোদন কৰিব বুলি প্ৰতিশ্ৰুতি দিলে। ইফালে ভাৰতত বৃটিছ ভাইচৰয় লৰ্ড ৰাভেলে মুছলীম লীগ আৰু কংগ্ৰেছৰ লগত কেবাখনো বৈঠকত মিলিত হ'ল।

১৯৪৬ চনৰ আগভাগত প্ৰাদেশিক আইন পৰিষদৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ল। "সাধাৰণ" আসনৰ বেছিভাগতে কংগ্ৰেছে জয়লাভ কৰিলে, কিন্তু মুছলমানৰ আসনত মুছলীম লীগে গৰিষ্ঠ আসন লাভ কৰিলে। দুয়োপক্ষৰ ৰাজনৈতিক আকাংক্ষ্যা সম্পূৰ্ণ হ'ল। ১৯৪৬ চনৰ মাৰ্চ মাহত বৃটেইনৰ শ্ৰমিক চৰকাৰৰ প্ৰধানমন্ত্ৰী এটলিয়ে এটা কেবিনেট মিছনক ভাৰতলৈ পঠিয়ালে। ভাৰতৰ প্ৰদেশসমূহক একেলগ কৰি স্বায়ত্ব শাসন প্ৰদান কৰি এখন যুক্তৰাষ্ট্ৰীয় চৰকাৰ গঠনৰ বাবে আগবঢ়োৱা মিচনৰ প্ৰস্তাৱ কংগ্ৰেছ আৰু মুছলীম লীগে প্ৰত্যাখান কৰিলে। কেবিনেট মিচনৰ বিফলতাৰ পিছত জিন্নাই মুছলীম লীগৰ পাকিস্তান গঠন দাবী তুলি "প্ৰত্যক্ষ সংগ্ৰাম" দিৱস পালনৰ কথা ঘোষণা কৰিলে। নিৰ্দ্ধাৰিত দিনটোত ১৯৪৬ চনৰ ১৬ আগষ্টত কলিকতাত ৰক্তাক্ত সাম্প্ৰদায়িক সংঘৰ্ষ ঘটিল। কলিকতাৰ পিছতে সাম্প্ৰদায়িক সংঘৰ্ষ বেঙ্গলৰ গাওঁ অঞ্চললৈ বিয়পি পৰিল। তাৰপিছত ই ক্ৰমে বিহাৰ আৰু পাঞ্জাব আৰু যুক্তপ্ৰদেশসমূহকে ধৰি গোটেই দেশতে বিয়পি পৰিল। কিছুমান ঠাইত মুছলীমসকল আৰু আন কিছুমান ঠাইত হিন্দুসকল বেয়াকৈ ক্ষতিগ্ৰস্ত হ'ল।

১৯৪৭ চনৰ ফেব্ৰুৱাৰী মাহত ওৱাভেলৰ ঠাইত লৰ্ড মাউণ্ট বেটেন ভাৰতৰ ভাইচৰয় নিযুক্ত হ'ল। তেওঁ আহিয়েই শেষৰ লানি আলোচনাত বহিল, কিন্তু যেতিয়া এই আলোচনাসমূহ ব্যৰ্থ হ'ল তেতিয়া তেওঁ ঘোষণা কৰিলে যে বৃটিছ ভাৰতক স্বাধীনতা প্ৰদান কৰা হ'ব,কিন্তু দ্বিখণ্ডিত কৰা হ'ব। ১৯৪৭ চনৰ ১৫ আগষ্টত নীতিগতভাৱে ক্ষমতা হস্তান্তৰৰ দিন হিচাবে নিৰ্ণয় কৰিলে। যেতিয়া সেই দিনটো আহিল ভাৰতৰ বেলেগ বেলেগ ঠাইত উলহ-মালহৰ দিন হিচাপে পালন কৰা হ'ল। দিল্লীত সংবিধান সভাৰ সভাপতিয়ে যেতিয়া মিটিঙত মোহনদাস কৰমচাঁদ গান্ধীক "জাতিৰ পিতা" বুলি বন্দনা কৰিবলৈ ধৰিলে তেতিয়া বহুত দীঘলীয়া প্ৰশংসা আৰম্ভ হৈ গৈছিল। সভাৰ বাহিৰত জনতাই চিঞৰিছিল, "মহাত্মা গান্ধীৰ জয় হওঁক।" (Mahatma Gandhi ki jai)

**চিত্ৰ, ১৩.১৩**
মহাত্মা গান্ধীয়ে জৱাহৰলাল নেহেৰু (তেওঁৰ সোঁফালে) আৰু চৰ্দাৰ বল্লভ ভাই পেটেলৰ (তেওঁৰ বাওফালে) লগত আলোচনাত বহিছে। কংগ্ৰেছৰ দুজন বিশিষ্ট ৰাজনৈতিক ভাবাদৰ্শী-সমাজবাদী নেতা জৱাহৰলাল নেহৰু আৰু সংৰক্ষণশীল নেতা পেটেলে প্ৰতিনিধিত্ব কৰিছে। মহাত্মা গান্ধীয়ে মাজে-সময়ে দুয়োপক্ষৰ মাজত মধ্যস্থতা কৰিব লগা হৈছিল।



DailyAssam.Com



## ৫. বিজয়ৰ শেষ দিনবোৰ (The Last Heroic Days)

১৯৪৭ চনৰ ১৫ আগষ্ট -বিশেষ দিনটোত মহাত্মা গান্ধী ৰাজধানীত অনুষ্ঠিত উৎসৱসমূহত থকাটো পৰিলক্ষিত হৈছিল। তেওঁ সেই সময়ত কলিকতাত আছিল যদিও তাত তেওঁ কোনো উৎসৱ-অনুষ্ঠান অথবা পতাকা উত্তোলন কাৰ্যসূচীত অংশগ্ৰহণ কৰা নাছিল। গান্ধীজীয়ে সেই দিনটোত ২৪ ঘণ্টীয়া অনশন ব্ৰত পালন কৰিছিল। দেশৰ স্বাধীনতাৰ বাবে তেওঁ যি দীঘলীয়া সংগ্ৰাম কৰিছিল সেই সংগ্ৰামে দেশখনক দ্বি-খণ্ডিত কৰি মূল্য পৰিশোধ কৰিব লগা হ'ল আৰু হিন্দু আৰু মুছলমান দুয়োটা সম্প্ৰদায়ে ইটোৱে সিটোৰ লগত আগৰদৰেই মুখামুখি হৈ ৰ'ল।

ডি.জি. টেণ্ডুলকাৰে (D.G.Tendulkar) মহাত্মা গান্ধীৰ আত্মজীৱনীত লিখিছে —চেপ্তেম্বৰ আৰু অক্টোবৰ দুয়োটা মাহত গান্ধীজীয়ে চিকিৎসালয় আৰু শৰণাৰ্থীশিবিৰসমূহ পৰিদৰ্শন কৰিছিল আৰু তাত থকা ক্ষতিগ্ৰস্ত দুৰ্ভগীয়া লোকসকলক সান্ত্বনা দিছিল।"তেওঁ শিখ, হিন্দু আৰু মুছলমান লোকসকলক দুৰ্যোগপূৰ্ণ অতীতটো পাহৰি পৰস্পৰে পৰস্পৰৰ প্ৰতি ভালপোৱা ভাবেৰে বন্ধুত্বৰ হাত আগবঢ়াবলৈ আৰু শান্তি-সম্প্ৰীতিৰে বসবাস কৰিবলৈ কাতৰে অনুৰোধ জনাইছিল।"

এতিয়া গান্ধীজী আৰু নেহৰুৰ উদ্যোগত কংগ্ৰেছে "সংখ্যালঘুসকলৰ অধিকাৰ" প্ৰস্তাৱ গৃহীত কৰিলে। দলে কেতিয়াও 'দ্বি-জাতিতত্ব" গ্ৰহণ কৰা নাছিল, বৰং বিভাজন তেওঁলোকৰ ইচ্ছাবিৰুদ্ধ আছিল। তেওঁলোকে এতিয়াও বিশ্বাস কৰে যে ভাৰত এখন বহুজাতি আৰু বহুধৰ্মৰ দেশ আৰু তেনেদৰেই থাকিব লাগিব। "পাকিস্তানত যেনেকুৱা পৰিস্থিতিয়েই নহওঁক, ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক ধৰ্মনিৰপেক্ষ দেশ হ'ব য'ত সকলো নাগৰিকেই সম্পূৰ্ণ অধিকাৰ লাভ কৰিব আৰু সকলোৱেই সমভাৱে দেশৰ সুৰক্ষা দিয়াব আৰু যিকোনো ধৰ্মৰ লোকে সমানে যোগ্যতা লাভ কৰিব।" কংগ্ৰেছে বাঞ্ছা কৰিছে যে তেওঁলোকৰ সকলোপ্ৰকাৰ সামৰ্থ্যৰে ভাৰতত সংখ্যালঘুসকলক আক্ৰমণৰ বিৰুদ্ধে সুৰক্ষা দিব আৰু তেওঁলোকৰ নাগৰিকত্বৰ অধিকাৰ অক্ষুন্ন ৰাখিবলৈ চেষ্টা কৰিব।


স্বাধীনতাৰ পৰৱৰ্তী মাহকেইটা গান্ধীজীৰ কাৰণে আটাইতকৈ "উত্তম সময়" বুলি বহুতো গৱেষকে লিখি গৈছে। বঙ্গদেশত শান্তি ঘূৰাই আনিবলৈ কাম কৰাৰ পিছত গান্ধীজীয়ে দিল্লীলৈ যাত্ৰা কৰিলে। তেওঁ আশা কৰিছিল যে ইয়াৰেপৰাই সাম্প্ৰদায়িক সংঘৰ্ষৰ অশান্ত হোৱা পাঞ্জাৱৰ জিলাসমূহলৈ যাব। ৰাজধানীত তেওঁৰ মিটিংবিলাকত শৰনাৰ্থীসকলৰ পৰা বাধাৰ সন্মুখীন হ'ব লগা হৈছিল। শৰনাৰ্থীসকলে কোৰাণৰ লিখিনিসমূহৰ বিষয়ে আপত্তি দৰ্শাই গান্ধীজীক প্ৰশ্ন কৰিছিল যে তেওঁ পাকিস্তানত বাস কৰা হিন্দু আৰু শিখসকলৰ ওপৰত হোৱা অত্যাচাৰ-উৎপীড়নৰ বিষয়ে একো নকয় কিয়? প্ৰকৃততে ডি.জি টেণ্ডুলকাৰে লিখিছে — গান্ধীজীয়ে পাকিস্তানৰ সংখ্যালঘুসকলৰ প্ৰতিও সমানেই দুখিত আছিল। তেওঁ তালৈ গৈ তেওঁলোকক সহায় কৰিবলৈ পালে ভাল পালেহেঁতেন। কিন্তু দিল্লীৰ

চিত্ৰ, ১৩.১৪
এখন সংঘৰ্ষ জৰ্জৰিত গাঁৱলৈ ১৯৪৭ চনত গান্ধীজীৰ যাত্ৰা।



DailyAssam.Com





চিত্ৰ, ১৩ : ১৫ - মহাত্মাৰ মৃত্যু। এখন জনপ্ৰিয় মনত সাঁচ বহুওৱা চিত্ৰ। ছবিখনত মহাত্মা গান্ধীক দেৱতাৰ দৰে দেখুওৱা হৈছে আৰু ভাৰতীয় জাতীয় আন্দোলনৰ ঐক্য শক্তিৰূপে চিত্ৰিত কৰা হৈছে। ইয়াত গান্ধীজীৰ চিতাৰ দুয়োফালে জৱাহৰলাল নেহৰু আৰু চৰ্দাৰ বল্লভ ভাই পেটেলক কংগ্ৰেছৰ দুডাল ..., চিতাৰ দুয়োফালে থিয় হৈ থকা দেখা গৈছে। দুয়োজনকে স্বৰ্গীয় অৱস্থানৰ পৰা মহাত্মা গান্ধীয়ে মাজত থাকি আশীৰ্ব্বাদ জনাইছে।

মুছলীমসকলৰেই যেতিয়া তেওঁ দুখ মোচন কৰিব নোৱাৰিলে, তেন্তে কোন মুখেৰে তেওঁ তালৈ যাব?

১৯৪৮ চনৰ ২০ জানুৱাৰীত গান্ধীজীক হত্যা কৰিবলৈ চেষ্টা কৰা হৈছিল, কিন্তু তেওঁ অকণো ভয় নাখালে। ২৬ জানুৱাৰীৰ দিনা গান্ধীজীয়ে প্ৰাৰ্থনা সভাত ভাষণ দি কৈছিল যে অতীতত এই দিনটো কেনেদৰে স্বাধীনতা দিৱসৰূপে পালন কৰা হৈছিল, এতিয়া দেশে স্বাধীনতা লাভ কৰিলে, কিন্তু প্ৰথম কেইমাহতে গভীৰভাৱে মোহভঙ্গ হ'ল। যেই কি নহওঁক তেওঁ বিশ্বাস কৰিছিল যে বেয়া দিন শেষ হৈছে। ভাৰতীয়সকলে এতিয়া জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে উমৈহতীয়া স্বাৰ্থৰ হকে সমূহীয়াভাৱে কাম কৰি যাব লাগিব আৰু উচ্চ শ্ৰেণীৰ লোকে সংখ্যালঘুৰ ওপৰত দমন আৰু শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিব নালাগিব যদিওবা তেওঁলোক সংখ্যাত তাকৰ অথবা প্ৰভাৱহীন। তেওঁ নিজকে আশা দিছিল যে "ভৌগোলিক আৰু ৰাজনৈতিকভাৱে যদিও ভাৰতবৰ্ষক ভাগ কৰা হ'ল, তথাপিও অন্তৰত দুয়োখন দেশৰ মানুহ ককাই-ভাই আৰু বন্ধু-বান্ধৱৰ দৰেই থাকিব আৰু উভয়ে উভয়ক সহায়-সহযোগ আৰু সন্মান প্ৰদৰ্শন কৰি বাহিৰৰ পৃথিৱীত এক হিচাবে দেখুৱাব লাগিব।"

গান্ধীজীয়ে এখন স্বাধীন আৰু ঐক্যবদ্ধ ভাৰতবৰ্ষৰ কাৰণে গোটেই জীৱন যুঁজিলে আৰু তথাপি দেশখন যেতিয়া বিভক্ত হ'ল তেওঁ আহ্বান কৰিলে যাতে দুয়োখন দেশে ইখনে-সিখনক সন্মান কৰে আৰু ইখনে-সিখনৰ বন্ধু হয়।

আন ভাৰতীয়সকল কম ক্ষমাশীল আছিল। ৩০ জানুৱাৰীৰ সন্ধিয়া নিয়মীয়া প্ৰাৰ্থনাসভাত এজন যুৱকে গান্ধীজীক গুলীয়াই হত্যা কৰিলে। পিছত আততায়ীজনে আত্মসমৰ্পণ কৰিলে। তেওঁৰ নাম নাথুৰাম গড্‌ছে আছিল। তেওঁ পুনাৰ এজন ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোক আৰু উগ্ৰহিন্দুবাদী বাতৰি কাকত এখনত সম্পাদক হিচাপে কাম কৰিছিল, যিজনে গান্ধীজীক এজন মুছলীমসকলৰ পৃষ্ঠপোষক বুলি ঘোষণা কৰিছিল।

গান্ধীজীৰ মৃত্যুৱে দেশত শোকৰ ছাঁ পেলালে। গোটেই ভাৰতজুৰি সকলো ৰাজনৈতিক দলে তেওঁৰ প্ৰতি বৰ্ণিল শ্ৰদ্ধাৰ্ঘ জনালে আৰু জৰ্জ অৰৱেল্ আৰু এলবাৰ্ট আইনষ্টাইনৰ নিচিনা আন্তৰ্জাতিক খ্যাতিসম্পন্ন লোকৰ পৰাও গান্ধীজীক প্ৰশংসা জনোৱা শোকবাৰ্তা আহিল। এসময়ত গান্ধীজীৰ শাৰীৰিক অৱয়ব আৰু ভাবাদৰ্শক উপলুঙা কৰা "টাইম" নামৰ বাৰ্ত্তালোচনীখনে এতিয়া গান্ধীজীক শ্বহীদ আব্ৰাহাম লিঙ্কনৰ লগত তুলনা কৰিছে। এজন গোড়া আমেৰিকানে লিংকনক জাতিবৰ্ণ নিৰ্বিশেষে সকলো মানুহেই সমান বুলি বিশ্বাস কৰা কাৰণে আৰু এজন গোড়া হিন্দুৱে গান্ধীজীক বেলেগ বেলেগ ধৰ্মৰ ভাৰতীয়সকলৰ মাজত বন্ধুত্ব সম্ভৱ আৰু এইটো অতি আৱশ্যকীয় বুলি বিশ্বাস কৰা কাৰণে হত্যা কৰিছিল। এই প্ৰসঙ্গত "টাইম"এ লিখিছিল - "লিংকনৰ মৃত্যুক আওকাণ কৰাৰ দৰে গান্ধীজীৰ মৃত্যুকো আওকাণ কৰিবলৈ পৃথিৱীবাসীৰ এফালে যিমান সহজ আনফালে সিমান জটিল।"

DailyAssam.Com

## ৬. গান্ধীক জানা (Knowing Gandhi)

গান্ধীজীৰ ৰাজনৈতিক জীৱন আৰু ভাৰতৰ জাতীয়তাবাদী আন্দোলনৰ বিষয়ে বহুতো বেলেগ বেলেগ প্ৰকাৰৰ সমলৰ পৰা আমি জানিব পাৰো।

### ৬.১ ঃ ৰাজহুৱা অভিমত আৰু ব্যক্তিগত হস্তলিপি

গান্ধীজীৰ ৰাজনৈতিক সহকৰ্মী আৰু বিৰোধীকে ধৰি তেওঁৰ সমসাময়িক লোকসকলৰ আৰু তেওঁৰ নিজৰ লিখনীসমূহ আৰু তেওঁৰ ভাষণসমূহ উল্লেখযোগ্য সমল। এইবোৰ লেখনিৰ মাজৰপৰা আমি ৰাজহুৱা স্বাৰ্থৰ কাৰণে লিখিছে নে অন্য কাৰণবশতঃ লিখা হৈছে সেইটো বিচাৰ কৰি ভাগ কৰা আৱশ্যক। উদাহৰণস্বৰূপে -এজন ব্যক্তিয়ে দিয়া ভাষণসমূহৰ পৰা আমি তেওঁৰ ৰাজহুৱা মতামত জানিব পাৰো, আনহাতে ব্যক্তিগত চিঠিসমূহৰ পৰা ব্যক্তিজনৰ ব্যক্তিগত চিন্তাসমূহৰ বিষয়ে জানিব পাৰো। মানুহ এজনৰ খং আৰু দুখ, উৎকণ্ঠা আৰু অনুভূতি, আশা আৰু নিৰাশাবোৰ চিঠিৰ মাজেৰে ব্যক্ত হয়, যিবিলাক তেওঁ মুকলিমুৰীয়াকৈ মানুহৰ আগত প্ৰকাশ কৰিব নোৱাৰে। কিন্তু আমি মনত ৰখা উচিত যে এই ৰাজহুৱা আৰু ব্যক্তিগত ব্যৱধান কেতিয়াবা ভঙ্গ হয়। ব্যক্তিবিশেষলৈ লেখা বহুতো চিঠি যদিও ব্যক্তিগত চিঠি হয়, এইবিলাক জনসাধাৰণৰ কাৰণেও প্ৰযোজ্য হ'ব পাৰে। এনে চিঠিসমূহৰ কথাসমূহ বৰ সন্তৰ্পণে লিখা হয়, কাৰণ কেতিয়াবা হয়তো এই চিঠিসমূহ ৰাজহুৱাভাৱে প্ৰকাশ পোৱাৰ ভয়তে বহুতো মানুহে নিজৰ মনৰ কথা মুকলিকৈ চিঠিত প্ৰকাশ নকৰে। মহাত্মা গান্ধীয়ে তেওঁৰ "হৰিজন" নামৰ আলোচনীখনত তেওঁলৈ আনে লিখা চিঠিসমূহ প্ৰকাশ কৰিছিল। জাতীয় আন্দোলনৰ সময়ছোৱাত জৱাহৰলাল নেহৰুলৈ লিখা কিছুমান চিঠি নেহৰুৱে সংকলন কৰি "এথুপা পুৰণি চিঠি"(A Branch of Old Trees) প্ৰকাশ কৰিছিল।

উৎস- ৭

**চিঠিৰ মাজৰ এটা ঘটনা**

১৯২০ চনৰ পৰা জৱাহলাল নেহেৰু সমাজবাদৰ প্ৰতি ক্ৰমান্বয়ে প্ৰাভাৱান্বিত হৈ পৰিছিল আৰু ১৯২৮ চনত তেওঁ যেতিয়া ইউৰোপৰ পৰা উভটি আহিছিল তেতিয়া চোভিয়েট ইউনিয়নৰ প্ৰতি গভীৰভাৱে আকৰ্ষিত হৈছিল। নেহেৰুৱে ভাৰতৰ সমাজবাদী নেতা জয়প্ৰকাশ নাৰায়ণ, নৰেন্দ্ৰ দেৱ, এন.জি. ৰঙ্গা আৰু অন্যান্যসকলৰ লগত ঘনিষ্ঠভাৱে কাম কৰোতে কংগ্ৰেছৰ ভিতৰচ'ৰাত সমাজবাদী আৰু ৰক্ষণশীল নেতাসকলক মাজত ফাঁট মেলিবলৈ আৰম্ভ কৰিছিল। ১৯৩৬ চনত কংগ্ৰেছৰ সভাপতি হিচাপে নিৰ্বাচিত হোৱাৰ পিছত নেহেৰুৱে আবেগিকভাৱে ফেচীবাদৰ বিৰোধীতা কৰিছিল আৰু কৃষক আৰু শ্ৰমিক শ্ৰেণীৰ দাবীবোৰ ধৈৰ্যসহকাৰে সকলোৰে আগত দাঙি ধৰিছিল।

নেহেৰুৰ সমাজবাদী ভাবাদৰ্শ দেখি ৰাজেন্দ্ৰ প্ৰসাদ আৰু চৰ্দাৰ বল্লভ ভাই পেটেলৰ নেতৃত্বত কংগ্ৰেছৰ ৰক্ষণশীল দলে ৱাকিং কমিটিৰ পৰা পদত্যাগ কৰিব বুলি ভয় দেখুৱাইছিল। বোম্বেৰ কেইজনমান আগশাৰীৰ প্ৰধান উদ্যোগপতিয়ে নেহেৰুক আক্ৰমণ কৰি এটা বিবৃত্তি দিছিল। নেহৰু আৰু প্ৰসাদ দুয়োজনে ৱাধা আশ্ৰমত থকা মহাত্মা গান্ধীক তেওঁৰ "ৱাৰ্দ্ধা আশ্ৰম"ত লগ কৰিছিল। গান্ধীজীয়ে কাচিৎহে মধ্যস্থতাকাৰী হিচাবে কাম কৰিছিল। তথাপিও তেওঁ নেহেৰুৰ উগ্ৰ সমাজবাদক বাধা দিছিল আৰু প্ৰসাদকে ধৰি অন্যান্যসকলক নেহেৰুৰ নেতৃত্বৰ স্থিতি পৰ্যবেক্ষণ কৰিবলৈ কৈছিল।

এথুপা পুৰণি চিঠিত ১৯৫৮ চনত নেহেৰুৱে সেইসময়ত তেওঁলৈ লিখা বহুতো চিঠি পুৰ্নমুদ্ৰণ আৰু বিনিময় কৰিছিল। পিছৰ পৃষ্ঠাত থকা উদ্ধৃতিখিনি পঢ়া।

DailyAssam.Com

## "এথূপা পুৰণি চিঠি"ৰ পৰা

বাৰ্দ্ধা, ১ জুলাই, ১৯৩৬

মোৰ মৰমৰ জৱাহৰলালজী,

যোৱাকালি আপোনাৰ ওচৰৰ পৰা অহাৰ পিছত মহাত্মাজীৰ লগত আমাৰ আলোচনা হৈছে আৰু আমাৰ মাজৰে অন্যান্যসকলৰ মাজতো আলোচনা হৈছে। বিভিন্ন সময়ত আমি কামবোৰেৰে যে আপোনাৰ অন্তৰত আঘাত দিছো এইটো আমি ভালদৰে উপলব্ধি কৰিছো। আপোনাক অসুবিধাত পেলাবলৈ অথবা মনোকষ্ট দিয়াটো কেতিয়াও আমাৰ উদ্দেশ্য নাছিল, ই যদিহে আপোনাক আঘাত দিব বুলি আমাক জনালেহেঁতেন অথবা ইঙ্গিত দিলেহেঁতেন তেতিয়াহ'লে আমি চিঠিখনৰ .... সংশোধন কৰিলোহেঁতেন বা সলাই দিলোহেঁতেন কিন্তু এতিয়া আমি সিদ্ধান্ত লৈছো যে চিঠিখন আমি উঠাই ল'ম আৰু গোটেই পৰিস্থিতিটো পুনৰ বিবেচনা কৰি প্ৰশ্নটো পুনৰ উত্থাপন কৰিম।

আমি অনুভৱ কৰিছো যে সাধাৰণ কংগ্ৰেছৰ আচনিক বিষয়বস্তু হিচাবে আপোনাৰ উক্তি প্ৰেছত প্ৰকাশ পোৱা নাই, ফলত কংগ্ৰেছে আপোনাৰ মত গ্ৰহণ নকৰিলে। কংগ্ৰেছৰ সভাপতি হিচাবে কংগ্ৰেছে আশাকৰামতে নকৰি আপুনি ৱাৰ্কিং কমিটিৰ কম সংখ্যক সতীৰ্থৰ মুখপাত্ৰ হৈ কাম কৰি গৈছে। আমাৰ বিৰুদ্ধে সদায় বিৰামহীনভাবে প্ৰতিবাদ বা বিৰোধী কৰ্মস্থল প্ৰচাৰ চলোৱা হৈছে য'ত অভিযুক্ত কৰা হৈছে যে আমাৰ মত-আদৰ্শৰ বৰ্ত্তমানত কোনো মূল্য নাই, আমাৰ দিন উকলিল। বৰ্তমান যুগৰ লগত আমি খাপ নাখাও। আমি দেশৰ উন্নতিৰ হেঙাৰস্বৰূপ আৰু বৰ্ত্তমানত অধিষ্ঠিত হৈ থকা পদবীসমূহৰ আমি অযোগ্য... আমি অনুভৱ কৰিছো যে এইবিলাকে আমাৰ প্ৰতি সাংঘাটিক অবিচাৰ কৰিছে আৰু কংগ্ৰেছৰ সভাপতি আৰু আমাৰ সহকৰ্মীহিচাপে আপোনাৰ পৰা নিৰাপত্তা পোৱা নাই।

আপোনাৰ বিশ্বাসী

ৰাজেন্দ্ৰ প্ৰসাদ

---

মোৰ মৰমৰ বাপু

এলাহবাদ

৫ জুলাই, ১৯৩৬

কালি ৰাতি মই আহি ইয়াত উপস্থিত হ'লো। ৱাৰ্দ্ধা এৰি অহাৰ পিছৰে পৰা মোৰ মনটো অশান্তিৰে ভৰি পৰিছে আৰু শাৰীৰিকভাৱেও মই দুৰ্বল অনুভৱ কৰিছো। ৱৰ্কিং কমিটিৰ মিটিংবোৰে মোক বৰ ক্লান্ত কৰি পেলাইছে ...এইবিলাকে মোৰ জীৱনীশক্তি হ্ৰাস কৰিছে আৰু সংঘটিত হোৱা প্ৰতিটো ঘটনাৰ পিছত মই প্ৰায় মৰি যোৱা যেন হৈছো... । আপুনি মোৰ সকলো সমস্যাৰ সমাধান কৰিবলৈ অহোপুৰুষাৰ্থ চেষ্টা কৰিছে আৰু গভীৰ সংকটৰ পৰা উদ্ধাৰ কৰা বাবে মই আপোনাৰ ওচৰত কৃতজ্ঞ।

ৰাজেন্দ্ৰ বাবুৰে মোলৈ লিখা চিঠি (দ্বিতীয়খন) মই পঢ়িছো আৰু তেওঁ মোৰ ওপৰত কৰা ভয়ঙ্কৰ অভিযোগৰ কথাখিনি পুনৰ পঢ়িছিলো...যেনেকৈ নহওঁক সত্যটো প্ৰকাশৰ প্ৰৱণতাই এইটোৱেই বুজাইছে যে মই এজন সহ্য কৰিব নোৱাৰা আপদ আৰু মোৰ গাত থকা উল্লেখনীয় গুণসমূহ হৈছে —যোগ্যতা আৰু শক্তিৰ এটা জোখ, খৰটকীয়া কিছুমান ব্যক্তিত্ব যিবিলাকৰ আহ্বান অনৰ্থক আৰু বিপদজনক হৈ পৰে। কাৰণ সেইবিলাকে এটা ভুল সমাজবাদৰ ৰথ সৃষ্টি কৰিছে। এই সকলোবিলাক মন্তব্যই স্পষ্ট।

বৰ্ত্তমানত মোৰ মনলৈ অহা ভাৱবোৰ মই দীঘলীয়াকৈ মোৰ কিতাপত আৰু চিঠিত প্ৰকাশ কৰিছো। সেইবোৰ বিচাৰ কৰিবলৈ মই অক্ষম। এই অভিমতবোৰ সাময়িক নহয়। এইবিলাক মোৰ ভিতৰৰে এটা অংশ যদিও ভৱিষ্যতলৈ মই এইবিলাক পৰিৱৰ্ত্তন অথবা সংশোধন কৰিব পাৰো তথাপিও যদি যিমান দিনলৈ মনলৈ এনে ভাৱ আহে সিমান দিনলৈকে মই ব্যক্ত কৰিবই লাগিব, কাৰণ এক বিশাল সমন্বয়তহে মই গুৰুত্ব দিছিলো, যিটো মই সম্ভৱ অনুযায়ী কোমল ভাষাত প্ৰকাশ কৰিছিলো আৰু তাতোকৈ বেছি জোৰ দিছিলো ইয়াৰ ওপৰত চিন্তাধাৰাৰ আদৰণি জনোৱাত আৰু এইটোৱেই স্থায়ী সিদ্ধান্ত বুলি নাভাবিব। এই মতবাদ আৰু কংগ্ৰেছে যি কৰিছিল তাৰ ওপৰত কোনো মতানৈক্য মই দেখা পোৱা নাছিলো। নিৰ্বাচন সংক্ৰান্তত মই উপলব্ধি কৰিছিলো যে মই কৰা কাম-কাজবোৰ আমাৰ বাবে এক নিশ্চিত আহিলা আছিল, যিহেতু ই জনসাধাৰণক আকৰ্ষিত কৰিছিল। কিন্তু মোৰ বাবে আঁচনিসমূহ মৃদুৱেই হওঁক বা অনৰ্থকেই হওঁক মোৰ সহকৰ্মীসকলে ইয়াক বিপদজনক আৰু অনিষ্টকৰ বুলি ভাবিছিল। মোক আনকি কোৱা হৈছিল যে ভাৰতবৰ্ষত দৰিদ্ৰতা আৰু নিবনুৱা সমস্যাৰ ওপৰত দিয়া গুৰুত্ব অবিবেচক বা মই গুৰুত্ব দিয়া নীতিসমূহ সম্পূৰ্ণ হ'ল।

তুমি মোক কৈছিলা যে তোমাৰ কিছুমান মন্তব্য প্ৰকাশ কৰাৰ বাবে ইচ্ছুক, মই সেইটোত আদৰণি জনাইছো, কাৰণ প্ৰতিটো মন্তব্যই দেশখনৰ স্বাৰ্থত উপস্থাপন কৰা হৈছে।

তোমাৰ স্নেহাপদ

জৱাহৰলাল

মৰমৰ জৱাহৰলাল

চিগাওঁ, ৫ জুলাই ১৯৩৬

DailyAssam.Com




তোমাৰ চিঠিখনে মোৰ অন্তৰ স্পৰ্শ কৰিছে। তুমি ভাবিছা তোমাৰ মনটো আটাইতকৈ বেছি আঘাতপ্ৰাপ্ত। প্ৰকৃত কথাটো হ'ল এই যে তোমাৰ সহকৰ্মীসকল তোমাৰ সমান সাহসী আৰু খোলামনৰ নহয়। ফলাফল অতি ভয়াবহ। তোমাৰ সৈতে মুক্ত আৰু নিৰ্ভয়ে কথা পাতিবলৈ মই তেওঁলোকক সদায়ে যুক্তি দৰ্শাও, কিন্তু সাহস নথকা হেতুকে তোমাৰ লগত তেওঁলোকে আভাজাকৈ কথা পাতে আৰু তুমি বিৰক্তিবোধ কৰা। তেওঁলোকৰ প্ৰতি দেখুওৱা তোমাৰ বিৰক্তি আৰু অসহিষ্ণুতাই তেওঁলোকৰ মনলৈ আশংকা আনে বুলি মই কওঁ। তোমাৰ তিৰস্কাৰ আৰু দাম্ভিকতাপূৰ্ণ আচৰণে তেওঁলোকক উত্তেজিত কৰি তোলে আৰু সবাতোকৈ ডাঙৰ কথাটো হ'ল তোমাৰ উচ্চমনৰ জ্ঞান-বুদ্ধি আৰু অকাট্যপূৰ্ণ দাম্ভিক মতবাদে তেওঁলোকক বিভ্ৰান্ত কৰি তোলে। তেওঁলোকে অনুভৱ কৰে যে তুমি তেওঁলোকক খুব কমেই ভদ্ৰ ব্যৱহাৰ কৰিছা আৰু কেতিয়াও তেওঁলোকৰ সামাজিক হীনমন্যতা আৰু আনকি ভুল প্ৰতিনিধিত্বৰ বাবে প্ৰতিৰোধ নিদিয়া।

গোটেই ঘটনাৰাজি মই দুখ-হাঁহিৰে দৃষ্টি নিক্ষেপ কৰো। গোটেই বস্তুখিনি তুমিও তেনেদৰে পাতলকৈ চোৱা। কংগ্ৰেছৰ সভাপতি পদৰ বাবে তোমাৰ নামটো আগবঢ়াম। মূৰত দুখ পালেও আগবাঢ়ি যোৱা। কমিটিৰ মিটিং বোৰত তোমাৰ ৰসিকতা অব্যাহত ৰাখা। সেইটো তোমাৰ আটাইতকৈ গতানুগতিক কাম। চিন্তিত হোৱাৰ কাৰণ নাই, মেজাজী মানুহে (irritabl man) আটাইতকৈ সৰু কাৰণতহে খঙত জ্বলি-পকি উঠে। নৱবৰ্ষৰ দিনা তুমি লাহোৰত ত্ৰিৰঙ্গ পতাকাৰ চাৰিওফালে ঘূৰি ঘূৰি নাচি আনন্দিত হোৱাৰ দৰে মোৰ এই চিঠি পোৱাৰ পিছত মই আশা কৰিছো তুমি সিমানেই আনন্দিত হ'বা আৰু মোলৈ টেলিগ্ৰাম কৰিবা।

তুমি সুযোগ ল'বলৈ হ'লে নিজৰ ডিঙিটো আগবঢ়াই দিবই লাগিব।

মৰমেৰে

'বাপু'



(a) সেই সময়ত কংগ্ৰেছৰ ভিতৰত, আগছোৱা সময়ত কংগ্ৰেছৰ আদৰ্শসমূহে কেনেধৰণে অগ্ৰগতি লাভ কৰিছিল, এই বিষয়ে চিঠিবিলাকে আমাক কি কৈছে?

(b) ভাৰতৰ জাতীয় আন্দোলনত মহাত্মা গান্ধীৰ চিঠিবিলাকত কেনেধৰণে প্ৰকাশ পাইছে?

(c) এই চিঠিসমূহে আমাক কংগ্ৰেছৰ কামৰ পদ্ধতি আৰু ভাৰতীয় জাতীয় আন্দোলনৰ প্ৰকৃতিৰ বিষয়ে বিশেষ ইঙ্গিত দিয়ে নেকি?

DailyAssam.Com

### ৬.২. ছবি নির্মাণ (Framing apicture)

সেইদৰে আত্মজীৱনীসমূহে আমাক অতীতৰ বিষয়ে বিশেষভাৱে মানুহৰ বিষয়ে বিস্তৃত বিৱৰণি দাঙি ধৰে। কিন্তু ইয়াতো পুনৰ আমি কেনেধৰণে আত্মজীৱনী পঢ়োঁ আৰু ব্যাখ্যা কৰোঁ সেই বিষয়ত সাৱধান হ'বই লাগিব। লগতে আমি মনত ৰাখিব লাগিব যে বেছিভাগ ক্ষেত্ৰতে নিজ স্মৰণশক্তিৰে অতীতক সামৰি লিখা ই এটা টোকা বা বৰ্ণনা। লেখকে কোনবোৰ ঘটনাক উল্লেখযোগ্য বা দৰকাৰী বুলি ভাবিছিল অথবা বিস্তৃতভাৱে বৰ্ণনা কৰিব বিচাৰিছে বা মনত পেলাব খুজিছে আৰু অন্যলোকৰ দ্বাৰা কেনেকৈ তেওঁৰ বা তাইৰ জীৱনীটো নিৰীক্ষণ কৰাটো বিচাৰিছে—এই সকলোবোৰ আত্মজীৱনীয়ে আমাক জনায়। আত্মজীৱনী লিখা মানে হ'ল নিজৰ ছবি এখন ফ্ৰেমত (framing) বন্ধাৰ নিচিনা কাম। সেইকাৰণে আমি লেখকসকলৰ টোকাবিলাক পৰ্যবেক্ষণ কৰিব লাগিব যে লিখকে কোনবিলাক কথাত নিমাত আৰু কি কাৰণে তেওঁ সেইবিষয়ে ক'ব খোজা নাই —এইটো তেওঁ স্ব-ইচ্ছাৰে কৰিছোনে? অজ্ঞাতবশতঃ বা ভুলতে থাকি গৈছে।

### ৬.৩ - আৰক্ষীৰ দৃষ্টিৰে (Through police eyes)

চৰকাৰী নথি-পত্ৰ আন এটা মূল্যৱান সমল। উপনিবেশবাদী শাসকসকলে চৰকাৰে দৰকাৰী বুলি ভবা সকলোবোৰ নথি-পত্ৰ সযত্নে সাঁচি ৰখাৰ ব্যৱস্থা কৰিছিল। সেইসময়ত পুলিচে আৰু আন চৰকাৰী বিষয়াসকলেগুপুতে লিখা চিঠিপত্ৰ আৰু টোকাবিলাক গোপনীয়ভাৱে ৰাখিছিল, কিন্তু আজিকালি এইবিলাক অনায়াসে চৰকাৰী দপ্তৰখানা পাব পাৰি। তেনেধৰণৰ উদাহৰণ এটা আমি ল'ব পাৰো -যেনে কুৰি শতিকাৰ আৰম্ভণিৰে পৰা চৰকাৰৰ গৃহ দপ্তৰে প্ৰতিটো পষেকত এটা পষেকীয়া টোকা প্ৰস্তুত কৰিছিল। এই টোকাসমূহ সেই অঞ্চলৰ পুলিচৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছিল। কিন্তু কেতিয়াবা ওপৰৰ বিষয়াসকলে দেখা বা বিশ্বাস কৰা কথাবিলাকো অন্তৰ্ভুক্ত কৰা হৈছিল। যদিহে আন্দোলন বা ৰাজদ্ৰোহৰ সম্ভাৱনা তেওঁলোকে দেখা পায় তেনেসয়মত তেওঁলোকৰ ভয় বা শঙ্কা ভিত্তিহীন বুলি নিজকে শান্তনা দিয়ে। যদি তুমি লোণ সত্যাগ্ৰহৰ সময়ছোৱাৰ পষেকীয়া প্ৰতিবেদনসমূহলৈ চোৱা, তেনেহ'লে দেখা পাবা যে গৃহ দপ্তৰে মহাত্মা গান্ধীৰ কাৰ্যকলাপে জনসাধাৰণৰ আস্থা লাভ কৰিব বুলি একেবাৰে বিশ্বাস কৰা নাছিল। দাণ্ডী যাত্ৰাক এখন নাটক, এক বহুৱালি আৰু বৃটিছ শাসনত সুখে-সন্তোষে থাকি নিজ নিজ দৈনন্দিন কাম-কাজত ব্যস্ত থকা মানুহখিনিক চৰকাৰী বিৰোধী আন্দোলনমুখী কৰি তুলিবলৈ কৰা এক ব্যৰ্থ চেষ্টা আছিল বুলি ভাবিছিল।



চিত্ৰ, ১৩.১৬
বোম্বেত আইন অমান্য আন্দোলনৰ সময়ত কংগ্ৰেছ সত্যাগ্ৰহীৰ সৈতে পুলিচৰ সংঘৰ্ষ

➲ পুলিছৰ পষেকীয়া টোকাত প্ৰকাশ পোৱা তথ্য আৰু এই ছবিৰ মাজত তুমি কিবা পাৰ্থক্য দেখিছা নেকি?

DailyAssam.Com

উৎস ঃ ৮

# গৃহদপ্তৰৰ পযেকীয়া টোকা
## (গোপনীয়)

**১৯৩০ চনৰ মাৰ্চ মাহৰ প্ৰথমাৰ্দ্ধ**

ইয়াত গুজৰাটত দ্ৰুতভাৱে ৰাজনৈতিক পটৰ অগ্ৰগতি হোৱাটো সূক্ষ্মভাৱে পৰিলক্ষিত হৈছে। এই প্ৰদেশখনৰ ৰাজনৈতিক অৱস্থা কিমান দূৰলৈ আৰু কোনটো দিশত গতি কৰিব সেইবিষয়ে বৰ্ত্তমানত কোৱাতো কঠিন হৈ পৰিছে। কৃষকসকলে এই সময়ত ভাল ৰবিশস্য চপোৱা কামত আত্মনিয়োগ কৰিছে আৰু শিক্ষাৰ্থীসকলে আগত হ'বলগীয়া পৰীক্ষাৰ কাৰণে পঢ়া-শুনাত ব্যস্ত হৈ আছে।

**মধ্যপ্ৰদেশ আৰু বেৰাৰ**

কংগ্ৰেছৰ প্ৰভাৱাধীন এলেকাৰ বাহিৰে মিঃ বল্লভ বাই পেটেলক আটকাধীন কৰাৰ কাৰণে আন কিছুমান অঞ্চলত কিছু পৰিমাণে উত্তেজনা সৃষ্টি হৈছে, কিন্তু গান্ধীক দাণ্ডীযাত্ৰাৰ বাবে অভিনন্দন জনাবলৈ নাগপুৰ নগৰ কংগ্ৰেছ কমিটিয়ে নাগপুৰত এখন সভা আয়োজন কৰিছিল যিখন সভাত ৩০০০তকৈ অধিক মানুহ গোট খাইছিল।

**বেঙ্গল**

যোৱা পযেকৰ উল্লেখযোগ্য ঘটনাটো হ'ল মহাত্মা গান্ধীৰ আইন অমান্য আন্দোলনৰ প্ৰচাৰ অভিযানৰ আৰম্ভণি। মিঃ জে.এম. সেনগুপ্তই বেঙ্গল আইন অমান্য পৰিষদ গঠন কৰিলে, কিন্তু বেঙ্গলত পৰিষদ গঠন কৰাৰ বাদে অন্য কোনো কাৰ্যসূচী এতিয়ালৈকে পৰিষদে গ্ৰহণ কৰা নাই। জিলাৰ পৰা অহা তথ্যসমূহত দেখা গৈছে যে তাত অনুষ্ঠিত হোৱা মিটিংবিলাকৰ প্ৰতি জনতাৰ খুব কম আগ্ৰহ আৰু সজাগতা পৰিলক্ষিত হৈছে আৰু জনতাৰ আন্দোলনৰ প্ৰতি ভাল ভাবো নাই। যেই কি নহওক মিটিংসমূহত বৰ্দ্ধিত মহিলাৰ অংশগ্ৰহণ কৰাটো লক্ষণীয় আছিল।

**বিহাৰ আৰু উৰিষ্যা**

কংগ্ৰেছৰ কাম-কাজৰ বিষয়ে লিখিবলৈ তেনেই সামান্য কথাহে আছিল বৰঞ্চ চৌকিদাৰী কৰ পৰিশোধ বন্ধ কৰিবলৈ যি প্ৰতিবাদী অভিযান চলিছিল সেইটোৰ বিষয়েহে ভালদৰে জনাবলগীয়া আছিল, কিন্তু কোনো ঠায়েই অনুসন্ধানৰ বাবে এতিয়ালৈকে বাচনি কৰা নাই। গান্ধীজী আটক হোৱাটো আগতীয়াকৈ মুকলিভাৱে কোৱা হৈছিল, কিন্তু এইটো হয়তো সম্ভৱ হ'ব পাৰে যে ভবামতে কৃতকাৰ্য নোহোৱাটোৱে আঁচনিত ব্যাঘাত জন্মাব।

**মাদ্ৰাজ**

গান্ধীজীৰ আইন অমান্য আন্দোলন আৰম্ভণিৰ অভিযানে আন সকলোবোৰ কথা তল পেলালে। তেওঁৰ অগ্ৰগতিক মৌখিক আৰু তেওঁৰ আঁচনিখন সম্ভৱপৰ নহয় বুলি সাধাৰণ মত পোষণ কৰে, কিন্তু যিহেতু হিন্দু লোকসকলে সাধাৰণভাৱে তেওঁক সন্মান কৰে, তেওঁক আটক কৰাৰ সম্ভাৱনাৰ পৰিপ্ৰেক্ষিতত নিজ ইচ্ছাৰে আদালতত জাহিৰ হোৱাটোৱে ৰাজনৈতিক পৰিস্থিতি যথেষ্ট বেয়াৰফালে যাব বুলি ধাৰণা কৰা হৈছিল।

১২ মাৰ্চৰ দিনটো আইন অমান্য আন্দোলনৰ আৰম্ভণি দিন হিচাবে উদযাপন কৰা হ'ল। বম্বেত ৰাতিপুৱাতে জাতীয় পতাকাক নমস্কাৰ জনাই আন্দোলনৰ শুভাৰম্ভণি কৰা দেখা গ'ল।

**বম্বে**

কেশৰী কাকতখনে বিদ্ৰোহাত্মক ভাষা প্ৰয়োগ কৰিছিল আৰু ইয়াৰ সাধাৰণ মনোভাৱটো হ'ল উত্তেজনাপূৰ্ণ আৰু আকৰ্ষণীয় কৰি লিখা — "যদি চৰকাৰে সত্যাগ্ৰহৰ শক্তি জানিব খোজে তেনেহ'লে ইয়াৰ ব্যৱস্থা লোৱা আৰু ব্যৱস্থা নোলোৱা দুয়োটাই ইয়াৰ মানহানিকাৰক হ'ব। যদিহে চৰকাৰে গান্ধীক আটক কৰে তেন্তে গোটেই দেশ অসন্তুষ্ট হ'ব আৰু যদিহে সেইটো নকৰে তেনেহ'লে আইন অমান্য আন্দোলনে তীব্ৰ গতি ল'ব। সেইবাবে আমি কওঁ যে চৰকাৰে মিঃ গান্ধীক শাস্তি দিলে দেশ জয়যুক্ত হ'ব আৰু যদিহে তেওঁক অকলশৰীয়া কৰে তেতিয়াও দেশে এটা ডাঙৰ বিজয় লাভ কৰিব।"

আনহাতে "বিবিধ বৃত্ত" নামে মধ্যমপন্থী কাকতখনে আন্দোলনটোৰ নিস্ফলতাৰ বিষয়ে আঙুলিয়াই দি কৈছিল যে ই ভবামতে সফলতা লাভ কৰিব নোৱাৰিব। সি যি কি নহওঁক এই আন্দোলনে চৰকাৰক সকিয়াই দিলে যে দমনমূলক ব্যৱস্থা গ্ৰহণ কৰিলে তেওঁলোকৰ উদ্দেশ্য নষ্ট হ'ব বা পৰাস্ত হ'ব।

ক্ৰমশঃ...

DailyAssam.Com



## ১৯৩০ চনৰ মাহৰ দ্বিতীয় পষেকৰ কাৰণে

**বেঙ্গল**

গান্ধীজীৰ দাণ্ডীযাত্ৰা আৰু আইন অমান্য আন্দোলনক কেন্দ্ৰ কৰি হাতত লোৱা কাৰ্যসূচীসমূহে সকলোৰে ক্ৰমান্বয়ে আগ্ৰহ বঢ়াই তুলিলে। উগ্ৰবাদী কাকতসমূহে গান্ধীৰ বক্তৃতা আৰু যাত্ৰা কাৰ্যসমূহ বিস্তৃতভাৱে দীঘলীয়াকৈ প্ৰকাশ কৰিলে। গোটেই বেঙ্গলৰ বেলেগ বেলেগ স্থানত হোৱা মিটিংবিলাকৰ বাতৰি আৰু প্ৰস্তাৱসমূহে সাংঘাটিকধৰণে প্ৰভাৱ বিস্তাৰ কৰিলে। কিন্তু গান্ধীয়ে বিচৰা আইন অমান্যৰ ধাৰণাটোৰ প্ৰতি কমেই উচ্ছাহজনক হৈছিল।

সাধাৰণতে, মানুহবিলাকে গান্ধীৰ কি অৱস্থা হয় সেইটো চাবলৈহে ৰৈ থাকে আৰু যদি গান্ধীৰ বিৰুদ্ধে কিবা ব্যৱস্থা লয়, তেনেহ'লে বেঙ্গলত সহজে দাহ্য পদাৰ্থত জুই লগোৱাৰ দৰে হ'ব। কিন্তু তেনেকুৱা উদ্বেগজনক অগ্নিকাণ্ডৰ সম্ভাৱনা খুব কম।

**মধ্যপ্ৰদেশ আৰু বেৰাৰ**

নাগপুৰত আইন অমান্য আন্দোলন অভিযানৰ বাবে অনুষ্ঠিত হোৱা মিটিংবিলাকত বিপুল জনসমাবেশ হৈছিল। ১২ মাৰ্চত এনে মিটিঙত যোগ দিবলৈ যোৱাৰ কাৰণে স্কুল আৰু কলেজসমূহ জনশূণ্য হৈ পৰিছিল।

মদৰ দোকানসমূহ উচ্ছেদ আৰু বন আইন লঙ্ঘন আটাইতকৈ বেছি সম্ভাৱনীয় আক্ৰমণৰ দুটা দিশ হৈ পৰিছিল।

**পাঞ্জাব**

এইটো দেখা গৈছে যে ঝিলাম জিলাত লোণ ভঙ্গ আইন সাংগঠিক প্ৰচেষ্টাৰ দ্বাৰা লোণ আইন ভঙ্গ অসম্ভৱ হ'ব নোৱাৰে আৰু মূলতানৰ পানীকৰ নিদিয়া সম্পৰ্কত হোৱা আন্দোলন পুনৰ আবিৰ্ভাৱ ঘটিব পাৰে আৰু গুজৰানৱালাত জাতীয় পতাকাৰ সৈতে জড়িত কিছুমান আন্দোলন হ'ব পাৰে।

**যুক্তপ্ৰদেশসমূহ**

নিঃসন্দেহে যোৱা পষেক ধৰি ৰাজনৈতিক কাৰ্যকলাপযুক্ত প্ৰদেশসমূহত বৃদ্ধি পাবলৈ ধৰিছে। কংগ্ৰেছ পাৰ্টিয়ে উপলব্ধি কৰিছে যে জনগণৰ ধাউতি-স্পৃহা বঢ়াবৰ কাৰণে কিছুমান জাকমকীয়া আঁচনি হাতত লবই লাগিব। স্বেচ্ছাসেৱক নিয়োগ কৰা, গাওঁবিলাকক আকৰ্ষিত কৰিবলৈ চেষ্টা কৰা মিঃ গান্ধীৰ হুকুম অহাৰ লগে লগেই লোণ আইন ভঙ্গ কৰা ইত্যাদি খবৰবোৰ ভালেসংখ্যক জিলাৰ পৰা আহিল।

## ১৯৩০ চনৰ এপ্ৰিল মাহৰ প্ৰথম পষেক

**যুক্তপ্ৰদেশসমূহ**

যোৱাটো পষেকত ঘটনাবিলাক ক্ষীপ্ৰভাৱে ঘটিল। ৰাজনৈতিক মিটিং, শোভাযাত্ৰা আৰু দলে দলে স্বেচ্ছাসেৱক বাহিনীত যোগদান ইত্যাদিৰ উপৰি আগ্ৰা, কাণপুৰ, বেনাৰস, এলাহবাদ, লক্ষ্ণৌ, মীৰাট, ৰায় বেৰিলী, ফাৰুখবাদ, এতৱা, বালিয়া আৰু মেইনপুৰীৰ লোণ আইনখন প্ৰকাশ্যভাৱে অৱজ্ঞা কৰা হ'ল।

১৪ এপ্ৰিলৰ ৰাতিপুৱা প্ৰাতঃসময়ত চেউকী ৰেল ষ্টেচনত কেন্দ্ৰীয় প্ৰদেশসমূহৰ এখন যুৱ সংঘৰ মিটিঙত যোগদান কৰিবলৈ গৈ থকা অৱস্থাত পণ্ডিত নেহৰুক গ্ৰেপ্তাৰ কৰা হ'ল। ততালিকে তেওঁক পোনে পোনে নাইনিতালৰ কেন্দ্ৰীয় কাৰাগাৰলৈ লৈ যোৱা হ'ল আৰু তাতে তেওঁক বিচাৰ কৰি ছয়মাহৰ বাবে সাধাৰণ কাৰাজীৱনৰ শাস্তি বিধান কৰা হ'ল।

**বিহাৰ আৰু উৰিষ্যা**

কেইখনমান ঠাইত অবৈধ নিমখ উৎপাদনৰ বাবে প্ৰচেষ্টা চলি আছিল বা বৰ্ত্তমান আৰম্ভ কৰা প্ৰচেষ্টা চমকপ্ৰদ, কিন্তু কম নিৰিখত চলি আছে।

**কেন্দ্ৰীয় প্ৰদেশবিলাক**

জব্বলপুৰত শেঠ গোবিন্দ দাসে ৰাসায়নিক নিমখ তৈয়াৰ কৰিবলৈ প্ৰয়াস কৰিলে, এই নিমখৰ মূল্য বজাৰত সাধাৰণ নিমখতকৈ বহুগুণ বেছি।

**মাদ্ৰাজ**

সাগৰৰ পানী উতলাই নিমখ প্ৰস্তুত কৰোতে পুলিচে দিয়া বাধাক বিশাখাপট্টনমত জনতাই বিপুলবাবে প্ৰতিবাদ জনাইছিল, কিন্তু আন ঠাইবিলাকত অবৈধভাৱে লোণ সংগ্ৰহ কাৰ্য সোপাটিলা আছিল।

**বেঙ্গল**

বেঙ্গলৰ সাগৰৰ দাতিকাষৰীয়া অঞ্চল মিদনাপুৰ আৰু ২৪ পৰগণাৰ অবৈধভাৱে লোণ প্ৰস্তুত কৰা হৈছিল। খুব কম পৰিমাণৰ নিমখ প্ৰকৃততে উৎপাদন কৰিছিল, তাৰে আকৌ বেছিভাগ চৰকাৰে জব্দ কৰি লৈ গৈছিল আৰু নিমখ উৎপাদন কৰা বাচন বৰ্ত্তমানৰ নষ্ট কৰি পেলোৱা হৈছে।

DailyAssam.Com



➲ পযেকীয়া টোকাসমূহ সন্তৰ্পণে পঢ়া। মনত ৰাখিবা যে এইবিলাক উপনিবেশবাদী চৰকাৰৰ গৃহদপ্তৰৰ গোপনীয় তথ্যৰ পৰা চালি-জাৰি উলিওৱা হৈছে। বিভিন্ন এলেকাৰ পৰা পুলিচে সংগ্ৰহ কৰা তথ্যবিলাক এই সংবাদ সমূহে গ্ৰহণ কৰা নাছিল।

১) এই প্ৰতিবেদনসমূহত প্ৰকাশ কৰা তথ্যসমূহে সমলৰ প্ৰকৃতিত কি ধৰণৰ প্ৰভাৱ পেলায় বুলি তুমি ভাবা? উপৰুক্ত মূল পাঠৰ পৰা উদ্ধৃতিসহ তোমাৰ মতামত ব্যাখ্যা কৰি এটি চমু টোকা লিখা।

২) যদি মহাত্মা গান্ধী গ্ৰেপ্তাৰ হয় জনসাধাৰণে কিদৰে প্ৰতিক্ৰিয়া কৰিব সেই বিষয়ে গৃহবিভাগে লেঠাৰি নিচিগাকৈ প্ৰস্তুত কৰা প্ৰতিবেদনৰ বিষয়ে তোমালোকে কি ভাবা? দাণ্ডীত ১৯৩০ চনৰ ৫ এপ্ৰিলত গান্ধীজীয়ে তেওঁক গ্ৰেপ্তাৰ কৰিব পাৰে বুলি উত্থাপিত হোৱা প্ৰশ্নটোৰ উত্তৰত কি কৈছিল? সেইখিনি পুনৰ পঢ়ি চোৱা।


৩) মহাত্মা গান্ধীক গ্ৰেপ্তাৰ নকৰাৰ কাৰণ কি বুলি ভাবা?

৪) দাণ্ডী যাত্ৰাই জনতাৰ পৰা একো সঁহাৰি পোৱা নাছিল বুলি গৃহ বিভাগে কিয় বাৰে বাৰে কৈছিল? তুমি কি ভাবা?

## ৬.৪. বাতৰি কাকতৰ পৰা

ইংৰাজীৰ লগতে বিভিন্ন ভাৰতীয় ভাষাত প্ৰকাশিত সমসাময়িক বাতৰিকাকতসমূহ আন এক উল্লেখযোগ্য সমল। এইবিলাকে মহাত্মা গান্ধীক জনতাই কেনেভাৱে গ্ৰহণ কৰিছিল আৰু তেওঁৰ কাৰ্যকলাপ আৰু আন্দোলনৰ বিষয়ে চমু বাতৰি প্ৰকাশ কৰিছিল। যেই কি নহওঁক, বাতৰি কাকতৰ বাতৰিসমূহ মিছা তথ্যৰ ওপৰত প্ৰকাশ পোৱা দেখা নগৈছিল। মুকলি দৃষ্টি আৰু নিজৰ ৰাজনৈতিক ভাবাদৰ্শ আৰু বিশ্বমত থকা মানুহে বাতৰি প্ৰকাশ কৰিছিল। তেওঁলোকৰ ভাৱধাৰাই ঘটনাসমূহ প্ৰকাশত আৰু তথ্য যোগানত ৰূপ দিছিল। সেইকাৰণে লণ্ডনৰ এখন বাতৰি কাকতত প্ৰকাশিত বাতৰিসমূহ ভাৰতীয় জাতীয়তাবাদী বাতৰিত প্ৰকাশ পোৱা বাতৰিসমূহতকৈ বেলেগ আছিল।

আমি এইবোৰ তথ্য ভালদৰে চোৱাটো দৰকাৰ, কিন্তু সেইবিলাকৰ বিশ্লেষণ কৰোতে সদায় খুব সাৱধান হোৱা উচিত। এই বাতৰিবিলাকত দিয়া প্ৰতিটো বক্তব্য যথাস্থানত কি ঘটিছিল সেইটো সম্পূৰ্ণৰূপে প্ৰদৰ্শন কৰা বুলি ধৰি ল'ব নালাগে। এইবিলাকে কেতিয়াবা আন্দোলন নিয়ন্ত্ৰণ কৰিব নোৱাৰা অসফল বিষয়াসকলৰ মনৰ উৎকণ্ঠা আৰু আন্দোলনে প্ৰসাৰতা লাভ কৰিব বুলি কৰা আশংকা, ভয়ৰ প্ৰতিচ্ছবিহে প্ৰতিফলন ঘটায়। তেওঁলোকে আটক কৰা মানেনো কি? অথবা গান্ধীক বন্দী কৰিবনে নকৰে সেইটো বুজি পোৱা নাছিল। উপনিবেশবাদী চৰকাৰে যিমানেই জনতা আৰু তেওঁলোকৰ কাৰ্যকলাপৰ ওপৰত চকু দিছিল, সিমানেই শাসনৰ ভিত্তি ভাবি চিন্তিত হৈছিল।



চিত্ৰ, ১৩.১৭

মহাত্মা গান্ধীক জনতাই কেনেদৰে চাৰিওফালৰ পৰা দৰ্শন কৰিছে তাকে এই জনপ্ৰিয় ফটোখনত দেখা গৈছে। জাতীয়তাবাদ গছজোপাৰ সোঁমাজত মহাত্মা গান্ধীক বৃহৎ আকাৰত আৰু তেওঁৰ চাৰিওফালে অন্যান্য নেতা আৰু জ্ঞানীলোকক সৰু আকৃতিত চিত্ৰিত কৰা হৈছে।

DailyAssam.Com

## সময়ৰেখা

| | |
|---|---|
| ১৯১৫ | মহাত্মা গান্ধীৰ দক্ষিণ আফ্ৰিকাৰ পৰা প্ৰত্যাবৰ্তন। |
| ১৯১৭ | চম্পাৰণ বিদ্ৰোহ |
| ১৯১৮ | খেদাত (গুজৰাট) কৃষকৰ বিদ্ৰোহ আৰু আহমেদাবাদত শ্ৰমিকসকলৰ বিদ্ৰোহ। |
| ১৯১৯ | ৰাওলাট সত্যাগ্ৰহ। (মাৰ্চ-এপ্ৰিল) |
| ১৯১৯ | জালিয়ানাবাগৰ হত্যাকাণ্ড। |
| ১৯২১ | অসহযোগ আৰু খিলাফৎ আন্দোলন। |
| ১৯২৮ | বাৰদলিত কৃষক আন্দোলন। |
| ১৯২৯ | লাহোৰ কংগ্ৰেছ অধিবেশনত (ডিচেম্বৰ) 'পূৰ্ণ স্বৰাজ'। কংগ্ৰেছৰ লক্ষ্য হিচাপে গ্ৰহণ। |
| ১৯৩০ | আইন অমান্য আন্দোলন আৰম্ভ, দাণ্ডী যাত্ৰা (মাৰ্চ-এপ্ৰিল) |
| ১৯৩১ | গান্ধী আৰ-উইন চুক্তি (মাৰ্চ) দ্বিতীয় ঘূৰণীয়া মেজমেল (ডিচেম্বৰ) |
| ১৯৩৫ | ভাৰত চৰকাৰ আইনে কেতবোৰ প্ৰতিনিধিত্বমূলক চৰকাৰ গঠন কৰিব বুলি প্ৰতিজ্ঞা। |
| ১৯৩৯ | কংগ্ৰেছ মন্ত্ৰীসভাৰ পদত্যাগ |
| ১৯৪২ | ভাৰত ত্যাগ আন্দোলন আৰম্ভ (আগষ্ট) |
| ১৯৪৬ | সাম্প্ৰদায়িক সংঘৰ্ষ ৰোধ কৰিবলৈ মহাত্মা গান্ধীৰ নোৱাখালিৰ আৰু আন আন সংঘৰ্ষজৰ্জৰিত অঞ্চল পৰিভ্ৰমণ। |

### ১০০-১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়া

1. সৰ্বসাধাৰণ মানুহৰ মনত মহাত্মা গান্ধীয়ে কিদৰে নিজৰ পৰিচয় দিব বিচাৰিছিল?
2. কৃষকসকলে মহাত্মা গান্ধীক কিমান বুজিছিল?
3. জাতীয় সংগ্ৰামত লোণ আইন কিয় এটা বিচাৰ্য বিষয় হৈ পৰিছিল?
4. জাতীয় আন্দোলন অধ্যয়নৰ কাৰণে বাতৰি কাকতক কিয় এটা দৰকাৰী সমল হিচাপে গণ্য কৰা হয়।
5. 'যঁতৰ' কিয় জাতীয়তাবাদৰ প্ৰতীকৰূপে নিৰ্বাচিত কৰা হৈছিল?

DailyAssam.Com



## তলত দিয়া প্ৰশ্নবোৰৰ ২৫০-৩০০ শব্দৰ ভিতৰত চমু ৰচনা লিখা

6. অসহযোগ আন্দোলনক কিয় একপ্ৰকাৰ প্ৰতিবাদ বুলি কোৱা হয়?

7. ঘূৰণীয়া মেজমেলৰ কথোপকথনসমূহ কিয় অমীমাংসীত হৈছিল?

8. জাতীয় আন্দোলনৰ প্ৰকৃতি মহাত্মা গান্ধীয়ে কি উপায়েৰে পৰিৱৰ্ত্তন কৰিছিল।

9. ব্যক্তিগত চিঠি আৰু আত্মজীৱনীৰ পৰা এজন ব্যক্তিৰ বিষয়ে আমি কেনেধৰণৰ তথ্য সংগ্ৰহ কৰিব পাৰো? চৰকাৰী প্ৰতিবেদনৰ লগত এই সমলবিলাকৰ পাৰ্থক্য কি?

## মানচিত্ৰৰ কাম

10. দাণ্ডীযাত্ৰাৰ পথটো নিৰূপণ কৰা। গুজৰাটৰ যিবিলাক প্ৰধান নগৰ আৰু গাঁওৰ মাজেদি গান্ধীজীয়ে দাণ্ডী লৈ যাত্ৰা কৰিছিল এখন মেপত সেই পথ অংকণ কৰা।

## প্ৰকল্প (যিকোনো এটা বাছি লোৱা)

11. জাতীয়তাবাদী নেতাসকলৰ মাজৰ পৰা যিকেনো এজনৰ আত্মজীৱনী অধ্যয়ন কৰা। লেখকে বিভিন্ন ধৰণে তেওঁৰ জীৱনকাল আৰু সময়ৰ কথা লিখিছে আৰু জাতীয় আন্দোলনক কেনেদৰে ব্যাখ্যা কৰিছে পৰ্যবেক্ষণ কৰা। তেওঁলোকৰ দৃষ্টিভঙ্গী কিহত বেলেগ দেখিছা, তোমাৰ অধ্যয়নৰ ভিত্তিত এটা টোকা লিখা।

12. জাতীয় আন্দোলনৰ সময়ত ঘটি যোৱা যিকোনো এটা ঘটনা নিৰ্বাচন কৰা। সেইসময়ৰ নেতাসকলৰ চিঠি-পত্ৰবোৰ আৰু ভাষণসমূহ পঢ়া এইবিলাকৰ কিছুমান এতিয়া প্ৰকাশ পাইছে। তুমি বসবাস কৰা ঠাইৰ তেওঁ বাসিন্দাও হ'ব পাৰে। জাতীয় আন্দোলনৰ আগশাৰীৰ নেতৃবৰ্গৰ কাৰ্যক স্থানীয় নেতাসকলে কেনেদৰে আলোকপাত কৰিছে সেইটো তুমি পৰ্যবেক্ষণ কৰা আৰু সেই অধ্যয়নক ভিত্তি কৰি জাতীয় আন্দোলনৰ বিষয়ে লিখা।

### তোমালোকে যদি আৰু অধিক জানিবলৈ বিচৰা, তেন্তে পঢ়া ঃ


শেখৰ বন্দোপাধ্যায়, 2004
From Plassey to Partitiom;
*A History of Modern India*, Orient Longman, New Delhi.

সৰ্বপল্লী গোপাল, 1978
*Jawaharlal Nehru; A Biography, Vol.I, 1889*-1947.
Oxford University, Press, Delhi.

ডেভিদ হাৰ্দিমান, 2003
*Gandhi in him time and ours.*
Permanent Black, New Delhi

জ্ঞানেন্দ্ৰ পাণ্ডে,1978
*The Ascendancy of the Congress in Uttar* Pradesh, 1926-34.
Oxford University Press, Delhi

সুমিত চৰকাৰ 1983
*Modern India, 1885-1947*
Macmillan, New Delhi


**তুমি চাব পাৰা ঃ**
http./www gandhiserve.org/cwmg/cwmg.html.
(for collected Works of Mahatma Gandhi)